সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩১ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩১ বছৰ,১৫ সংখ্যা,৩০ চ'ত, ৰবিবাৰ,১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 31: Issue No. 15 Date of Publication- 13 April 2025 Rs. 10.00/-



## সমূহ অসমবাসী ৰাইজক ৰঙিলী বাৰ্ত্তাৰ পৰিয়ালবৰ্গৰ ফালৰ পৰা ৰঙালী বিহু তথা অসমীয়া নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিলো...

ড° উদ্দীপ্ত নয়ন মেধি
মুখ্য সম্পাদক



# বছৰজোৰা কাৰ্যসূচীৰে পালন কৰা হ'ব সুধাকণ্ঠৰ জন্ম শতবাৰ্ষিকী



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শনিবাৰে জনতা ভৱনস্থিত লোকসেৱা ভৱনত অসম চৰকাৰৰ কেবিনেট বৈঠক অনুষ্ঠিত হয়। কেবিনেট বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকৰ অন্তত কেবিনেটৰ সিদ্ধান্তসমূহ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সদৰী কৰে। নাগৰিকসকলক কাৰ্যকৰী প্ৰশাসন ব্যৱস্থা আৰু উন্নত সেৱা প্ৰদান নিশ্চিত কৰাৰ বাবে এই কেবিনেট বৈঠকে নতুনকৈ ১০খনসম-জিলা গঠনত অনুমোদন জনায়। চলিত বৰ্ষৰ ১৫ আগষ্টত সেই ১০খন সম-জিলা গঠনত অনুমোদন জনায়। নতুনকৈ সম-জিলা গঠন হ'বলগীয়া সমষ্টিকেইটা হৈছে- বকো-ছয়গাঁও, পলাশবাৰী, বৰছলা, ৰঙাপৰা, মাকুম, টিয়ক, মৰিয়নি, ধলাই, ডিগবৈ আৰু দুধনৈ। সেইদৰে এই কেবিনেটে টাটাৰ সহযোগত আছাম কেঞ্চাৰ ফাউণ্ডেচনৰ অধীনত ৰাজ্যৰ বিভিন্ন প্ৰান্তত ১৬খন কেঞ্চাৰ কেয়াৰ হাস্পতাল নিৰ্মাণৰ কাম হাতত লৈছে। ইয়াৰে ৯খনৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। ৭খন নিৰ্মীয়মাণ অৱস্থাত আছে। নিৰ্মীয়মাণ অৱস্থাত থকা ৭খনৰ কাম-কাজ আগুৱাই নিবলৈ কেবিনেটে ২৫০ কোটি টকাৰ অনুমোদন জনায়। ইতিমধ্যে ৰাজ্য চৰকাৰে কেঞ্চাৰ কেয়াৰ হাস্পতালৰ বাবে ২৫০০ কোটি টকা ব্যয় কৰিছে। একেদৰে এই কেবিনেটে বোকাখাত, ডিব্ৰুগড়,

(দহ পৃষ্ঠাত চাওক)

# নেচনেল হেৰাল্ড গোচৰত ছোনিয়া-ৰাহুলৰ সম্পত্তি জব্দৰ জাননী ইডিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বহুচৰ্চিত নেচনেল হেৰাল্ড গোচৰত এনফৰ্টমেন্ট ডাইৰেক্টৰেট(ইডি)য়ে কংগ্ৰেছৰ শীৰ্ষ নেতা ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ সৈতে সম্পৰ্কিত সম্পত্তি জব্দৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীৰ মালিকীস্বত্বৰ কোম্পানী ইয়ং ইণ্ডিয়া লিমিটেড চমুকৈ বাইআইএলে হস্তগত কৰা এছ'চিয়েট জাৰ্নেলছ লিমিটেড(এজেল)ৰ সম্পত্তিসমূহ জব্দ কৰাৰ বাবে ইডিয়ে জাননী জাৰি কৰিছে। ইডিয়ে যোৱা ১১ এপ্ৰিলত এজেএলৰ দিল্লী, মুম্বাই আৰু লক্ষ্ণৌত থকা কাৰ্যালয়ৰ সম্পত্তি জব্দ কৰিবলৈ জাননী জাৰি কৰিছে। উল্লেখ্য যে ২০১৪ চনত বিজেপি নেতা সুব্ৰমণিয়ন স্বামীয়ে ইয়ং ইণ্ডিয়ান লিমিটেডে এছ'চিয়েট জাৰ্নেলছ লিমিটেডৰ দুই হাজাৰ কোটি টকাৰ সম্পত্তি প্ৰৱঞ্চনাৰে ৫০ লাখতে হস্তগত কৰাৰ অভিযোগ উত্থাপন কৰিছে। সেই অভিযোগৰ ভিত্তিতেই ৰুজু কৰা গোচৰৰ তদন্ত চলাই থকা ইডিয়ে নেচনেল হেৰাল্ড অবৈধ ধনৰ লেনদেন গোচৰত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধী সম্পৰ্কিত

(দহ পৃষ্ঠাত চাওক)

# উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ নামভৰ্তি বাবে 'দৰ্পণ' প'ৰ্টেল মুকলি

ৰঙিলী বাৰ্ত্তাসেৱা- অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত নামভৰ্তিৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। পৰিষদে এক জাননীযোগে জনাই যে উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকত নামভৰ্তিৰ বাবে অহা ১৭ এপ্ৰিলৰ পৰা দৰ্পণ প'ৰ্টেলযোগে আবেদন কৰিব পাৰিব। ১৭ এপ্ৰিলৰ পৰা ২৪ এপ্ৰিলৰ ভিতৰত আবেদন কৰিব লাগিব। ইয়াৰ পাছত ২৫-২৬ এপ্ৰিলত শিক্ষানুষ্ঠানসমূহে মেধাৰ তালিকা প্ৰকাশ কৰিব। প্ৰ'ভিজনেল' ছিলেকচন লিষ্ট ২৭ এপ্ৰিলৰ পুৱা ১০ বজাত প্ৰকাশ পাব। ২৭ এপ্ৰিলৰ পৰা ২৯ এপ্ৰিললৈ নামভৰ্তিৰ দিন ধাৰ্য কৰা হৈছে। নিৰ্ধাৰিত সময়ৰ ভিতৰত নামভৰ্তি নকৰিলে পৰৱৰ্তী সময়ত পুনৰ নতুনকৈ সময় দিয়া হ'ব। ১৫ মে'ৰ পিছত পুনৰ ৫ দিনৰ বাবে দৰ্পণ প'ৰ্টেলত সুবিধা প্ৰদান কৰা হ'ব। এজন শিক্ষাৰ্থীয়ে সৰ্বাধিক ৫খন শিক্ষানুষ্ঠানত নামভৰ্তিৰ বাবে আবেদন কৰিব পাৰিব।

সম্পাদকীয় শিতান...

# বিহু বিহু লাগিছে গাত..

দেৱাশীষ গোস্বামী



বিহু -শুনিলেই শব্দটো, গাটো দেখোন ৰাইজাই কৰি যায়। কিবা যেন ঘৰত মনেই নবহিব। অনবৰতে যেন শৰীৰৰ প্ৰত্যেকটো অংগ প্ৰত্যংগ লয়লাস ভংগীত নাচিয়েই থাকিব। প্ৰধানত ৰঙেৰে ৰাঙলী আমাৰ অতিকৈ হেপাঁহৰ, বুকুৰ আপোন, বাপতিসাহোন ৰঙালী বিহুতি আহি যেতিয়া আমাৰ পদূলি মূখ পাইহি, আমাৰ গা-মন উছাহেৰে নধৰা হয়। আজিৰ যান্ত্ৰিকতাৰ মাজতো যেয়ে যেনেকৈ পাৰো মন-প্ৰান খুলি ৰঙালীৰ প্ৰত্যেকটো ক্ষণ উপভোগ কৰাৰ চেষ্টা কৰো। পিছে ৰামো নাই অযোধ্যাও নাইৰ দৰে প্ৰদূষিত, কলুষিত আমিবোৰৰ মাজত আগৰ মন প্ৰাণ ঢালি কৰা স্ফূৰ্তিবোৰ ক্ৰমাত ম্লান পৰি অহাযেন অনুভৱ নহয়নে? তথাপিও আমি গৰিষ্ঠ সংখ্যকে চেষ্টা কৰো ৰঙালীৰ গুণ গৰিমা অখ্যুন্ন ৰাখিবলৈ সাধ্য অনুসাৰে।



এই সুন্দৰ ধৰণীত জীৱশ্ৰেষ্ঠ হিচাপে দুদিনীয়া জীৱনটোৰ প্ৰত্যেকটো ক্ষণ উপভোগ্য কৰি তুলি মানুহ হিচাপে জন্ম লভাৰ যথাৰ্থ প্ৰতিপন্ন কৰাৰ দায়িত্ব আমাৰেই। লোকচক্ষুৰ আঁৰ হৈ, নিৰ্জন ঠাইত ভৰ দুপৰীয়া গছৰ তলত চেনাইলৈ বুলি বিহুৱান লৈ, অলপ মৰম যাচিবলৈ নাচনি বোৰৰ আকৌ মন নাযায়নে? চেনাইবোৰৰো তেনে এখন বিহুৱান পাবলৈ হেপাঁহ নাজাগেনে? ঢোল,পেঁপা, গগনাৰে মূখৰিত এটুকুৰা মুকলি ঠাইত অলপ ককাল ভাঙি নাচিবলৈ মনৰ মাজত উকমুকনি নুতোলেনে? নানা ধৰণৰ পিঠা পনা, দৈ চিৰাৰে আলহী আপ্যায়ন কৰিবলৈ মন নাযাইনে?

আহকচোন সকলোৱে এটা নিষ্কলুষ মনেৰে ৰঙালীৰ ৰং প্ৰাণঢালি উপভোগ কৰি মানবী জীৱন প্ৰদান কৰাৰ বাবে নেদেখাজনৰ সমূখত নতশিৰে প্ৰণিপাত জনাওঁ। ৰঙিলী বাৰ্তাৰ মজিয়াৰ পৰাই সকলোলৈ বাপতিসাহোন বিহুতি তথা অসমীয়া নৱবৰ্ষৰ অলেখ অযুত শুভকামনা।

# এইবাৰৰ ফলাফল যোৱা বছৰৰ তুলনাত নিম্নগামী হৈছেঃ শিক্ষামন্ত্ৰী



ৰঙিলী বাৰ্ত্তাসেৱা- সকলো উৎকণ্ঠাৰ অৱসান ঘটাই অৱশেষত শুকুৰবাৰে ঘোষিত হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল। এই ফলাফলত উজলি উঠিবলৈ সক্ষম হোৱা জিলাকেইখন হৈছে প্ৰথম শিৱসাগৰ, দ্বিতীয় ডিব্ৰুগড় আৰু তৃতীয় ধেমাজি জিলা। এই ফলাফলৰ সন্দৰ্ভত শুকুৰবাৰে ধেমাজিত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সংবাদমেল আয়োজন কৰি কয় ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ইতিমধ্যে ঘোষণা কৰা হৈছে। এইবাৰ উত্তীৰ্ণ হাৰ হৈছে ৬৩.৯৮ শতাংশ। পূৰ্বৰ তুলনাত উৰ্ত্তীণৰ হাৰ এইবাৰ কম বুলি তেওঁ উল্লেখ কৰে। এই ফলাফলৰ শীৰ্ষস্থানৰ জিলা হিচাপে শিৱসাগৰ প্ৰথম, ডিব্ৰুগড় দ্বিতীয়, ধেমাজি তৃতীয়, যোৰহাট চতুৰ্থ, নলবাৰীয়ে পঞ্চম স্থান দখল কৰি উন্নত ফলাফল দাঙি ধৰিবলৈ সক্ষম হৈছে। ইফালে শেষৰফালে আছে শ্ৰীভূমি, কাছাৰ, ধুবুৰী, গোৱালপাৰা জিলা। এইকেইখন জিলাৰ উত্তীৰ্ণৰ হাৰ গড়তকৈ তলত আছে । তিনিগৰাকীয়ে প্ৰথম তিনিটা স্থান লাভ কৰিছে।

(দহ পৃষ্ঠাত চাওক)

# ক'ভিড-১৯ৰ পিছত বিগত ৫ বছৰত অসমৰ জিএছডিপি দুগুণ বৃদ্ধি



ৰঙিলী বাৰ্ত্তাসেৱা- অসমবাসীৰ বাবে এক ভাল খবৰ। ফিট্‌ছ গ্ৰুপৰ 'ইণ্ডিয়া ৰেটিংছ এণ্ড ৰিছাৰ্চ'ৰ সমীক্ষাত উজলিছে অসম। ক'ভিড-১৯ৰ পিছত বিগত ৫ বছৰত অসমে স্থিৰ মূল্যত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন অৰ্থাৎ জিএছডিপি বৃদ্ধিৰ গড় হাৰ ৭ শতাংশ কৰিবলৈ সক্ষম হৈছে। এই বৃদ্ধিৰ হাৰে অসমক অৰ্থনৈতিক পুনৰুদ্ধাৰৰ ক্ষেত্ৰত ভাৰতৰ শীৰ্ষ তিনি ৰাজ্যৰ ভিতৰত স্থান দখলত সহায় কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰী কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে একেৰাহে ৫ বছৰৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি সুস্থিৰ উচ্চ বিকাশৰ গতিৰে ধাৱমান হোৱা দেশৰ গোটাচেৰেক ৰাজ্যৰ ভিতৰত অসমে সফলতাৰে নিজকে প্ৰতিপন্ন কৰিছে। এই ৫ বছৰত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন প্ৰায় দুগুণলৈ বৃদ্ধি হৈছে। ইয়াৰ অন্তৰালত নিহিত হৈ আছে ৰাজ্যৰ কিছু বৃহৎ ঘৰুৱা বিনিয়োগৰ লগতে ২০০ কোটি টকাৰ প্ৰত্যক্ষ বৈদেশিক বিনিয়োগ আকৰ্ষিত কৰাৰ দৰে বিশেষ সাফল্য। মুখ্যমন্ত্ৰী ড°শৰ্মাই লগতে কয় যে আজিৰ প্ৰেক্ষাপটত অসমে ৰাষ্ট্ৰীয় প্ৰগতিৰ দিশত এক অৱদানকাৰী ৰাজ্য হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সম্ভৱপৰ সকলো পদক্ষেপ গ্ৰহণ কৰি আছে। এই বিকাশৰ ধাৰা এনেধৰণে আৰু ৫ বছৰলৈ অব্যাহত ৰাখিলেই ৰাজ্যৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনে ১০ লাখ কোটি

(দহ পৃষ্ঠাত চাওক)

# ডি এইচ এছ কানৈ মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ অধীনৰ শতদল শাখা মুকলি



ৰঙিলী বাৰ্ত্তাসেৱা- ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানব' সুজমল কানৈ মহাবিদ্যালয়ত ৰৰ এপ্ৰিলত অসম সাহিত্য সভাৰ অধীনৰ শতদল শাখা মুকলি কৰা হয়। অনুষ্ঠানটিত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰি কয় যে- মহাবিদ্যালয়খনৰ ৮০ বছৰীয়া ইতিহাসত এই দিনটো সোণালী আখৰেৰে লিখা থাকিব। তেওঁ লগতে কয়-ভৱিষ্যত প্ৰজন্মই অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ জৰিয়তে জগত সভাত স্থান লাভ কৰি অসমীয়া সাহিত্যক বিশ্ববন্দিত কৰি তোলাৰ আশা পোষণ কৰে। মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° মন্‌মী বৰুৱাই আঁত ধৰা অনুষ্ঠানটিত ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ আৰু সম্পাদক ভাগ্যেশ্বৰ গগৈ পৰ্যবেক্ষক ৰূপে উপস্থিত থাকি মহাবিদ্যালয়ৰ শাখা মুকলি কৰাত দিহা-পৰামৰ্শ আগবঢ়াৰই কয় যে মাতৃভাষা শুদ্ধকৈ কথন আৰু প্ৰচাৰৰ যোগেদিহে অসমীয়া ভাষা আৰু অসমীয়া জাতিটো জীয়াই থাকিব। পৰ্যবেক্ষকদ্বয়ৰ উপস্থিতিত গঠন হোৱা শাখাটিত ক্ৰমে সভাপতি ড° তৃষ্ণা দুৱৰা কলিতা, উপ-সভাপতি শিখামণি কোঁচ দেউৰী, সম্পাদক ড° নিতুমণি শইকীয়া, সহকাৰী

(দহ পৃষ্ঠাত চাওক)

# ঘোষণা হ'ল হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল



ৰঙিলী বাৰ্ত্তাসেৱা- জল্পনা-কল্পনাৰ অন্ত পেলাই অৱশেষত ঘোষণা হ'ল মেট্ৰিক পৰীক্ষাৰ ফলাফল। শুকুৰবাৰেপুৱা ১০:৩০ বজাৰ লগে-লগে প্ৰকাশ পালে মেট্ৰিক পৰীক্ষাৰ ফলাফল। ১৪টা ৱেবছাইটত উপলব্ধ হ'ল মেট্ৰিক পৰীক্ষাৰ ফলাফল। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মুখ্য শিক্ষাৰ্থীৰ সংখ্যা ২, ৭০, ৪৭২ গৰাকী। ইয়াৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয় ৮৯, ০৪১ গৰাকী, দ্বিতীয় বিভাগত ১, ৩৫, ৫৬৮ গৰাকী আৰু তৃতীয় বিভাগত উত্তীৰ্ণ হয় ৪৫, ৮৬২ গৰাকী। শিক্ষা বোৰ্ডে জাৰি কৰা তথ্য অনুসৰি এইবাৰ উত্তীৰ্ণৰ হাৰ ৬৩.৯৮ শতাংশ। ছাত্ৰ উত্তীৰ্ণৰ হাৰ ৬৭.৫৯ শতাংশ আৰু ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৬১.০৯ শতাংশ। এইবাৰ ডিষ্টিংশ্যন মাৰ্ক লাভ কৰিছে ৫, ৩৩৬ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে, ষ্টাৰ মাৰ্ক লাভ কৰিছে ১৬, ৫১৭ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে আৰু লেটাৰ মাৰ্ক লাভ কৰিছে ১, ৬৮, ৩১২ গৰাকীয়ে। জিলাৰ ফালৰ পৰা ৮৫.৫৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে শীৰ্ষত আছে শিৱসাগৰ জিলা, ৮১.১০ শতাংশৰ সৈতে দ্বিতীয় স্থানত আছে ডিব্ৰুগড় জিলা আৰু ৮০.৬৪ শতাংশৰে তৃতীয় স্থানত আছে ধেমাজি জিলা। ইয়াৰোপৰি জিলাৰ ফালৰ পৰা উত্তীৰ্ণৰ ক্ষেত্ৰত নিম্ন স্থানত আছে শ্ৰীভূমি জিলা। জিলাখনত উত্তীৰ্ণৰ হাৰ ৪৭.৯৬ শতাংশ।

(দহ পৃষ্ঠাত চাওক)

# মুম্বাই আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰী তাহাউৰ ৰানাক অনা হ'ল ভাৰতলৈ




ৰঙিলী বাৰ্ত্তাসেৱা- অৱশেষত ২৬/১১ কাণ্ডৰ মূল ষড়যন্ত্ৰকাৰী তাহাউৰ ৰাণাক আমেৰিকাৰ পৰা সফলভাৱে প্ৰত্যাৰ্পণ কৰা হৈছে। শিহৰণকাৰী ২৬/১১ৰ মুম্বাই আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰী পাকিস্তানীমূলৰ কানাডাৰ নাগৰিক তাহাউৰ ৰানাক বিশেষ বিমানেৰে আমেৰিকাৰ পৰা দিল্লীলৈ অনা হৈছে। ৰানাক লৈ অহা বিমান দিল্লীত অৱতৰণ কৰাৰ পূৰ্বে ৰাজধানী মহানগৰখনত নিশ্ছিদ্ৰ নিৰাপত্তা বেষ্টনী গঢ়ি তোলা হয়। লক্ষণীয়ভাৱে ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা (নিয়া)ৰ বিষয়াৰ দলে বিশেষ বিমানেৰে ৰানাক আমেৰিকাৰ পৰা দিল্লীলৈ লৈ আহিছে। মাৰ্কিন শীৰ্ষ আদালতত ৰানাৰ দ্বিতীয়খন আবেদন অগ্ৰাহ্য হোৱাৰ পিছত তাৎক্ষণিকভাৱে ভাৰতলৈ প্ৰত্যৰ্পণ কৰা হয় কুখ্যাত সন্ত্ৰাসবাদী মাষ্টাৰমাইণ্ডক। ইফালে সন্ধিয়া ৬.৩০ বজাত দিল্লীত উপস্থিত হোৱাৰ পিছতে ৰানা সন্দৰ্ভত এক বিবৃতি প্ৰকাশ কৰে 'নিয়া'ই। এই বিবৃতিত উল্লেখ কৰা হয় যে ২০০৮ চনৰ মুম্বাইৰ কুটাঘাতী কাণ্ডৰ মূল ষড়যন্ত্ৰকাৰী আছিল ৰানা। ২০০৮ চনৰ সেই শিহৰণকাৰী আক্ৰমণৰ ঘটনাৰ মূল ষড়যন্ত্ৰকাৰীক বিচাৰৰ আওতালৈ অনাৰ বাবে কেইবাবছৰ ধৰি চেষ্টা চলোৱা হৈছিল বুলি 'নিয়া'ৰ তৰফৰ পৰা বিবৃতিটোত উল্লেখ কৰা হয়। দিল্লীৰ বিমানবন্দৰত অৱতৰণ কৰাৰ পিছতে 'নিয়া'ৰ বিষয়ববীয়াই গ্ৰেপ্তাৰ কৰে তাহাউৰ ৰানাক। তাৰ পিছতে ৰাণাক দিল্লীৰ পাটিয়ালা হাউচ আদালতত হাজিৰ কৰোৱা হয়। ৰাণাক আদালতে ১৮ দিনৰ এনআইএৰ জিম্মালৈ প্ৰেৰণ কৰে। ইয়াৰ পিছতে 'নিয়া'ৰ মুখ্য কাৰ্যালয়লৈ নিয়া হয় ৰানাক। এক সূত্ৰই সদৰী কৰা অনুসৰি তিহাৰ কাৰাগাৰলৈ লৈ যোৱা হ'ব পাৰে ২৬/১১ৰ আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰীক। ৰানাৰ বিৰুদ্ধে অপৰাধমূলক ষড়যন্ত্ৰ, ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ ঘোষণা, হত্যা, জালিয়াতি আৰু অবৈধ গতিবিধি প্ৰতিৰোধ আইন বা ইউএপিএৰ আওতাত অভিযোগ আছে। ইফালে ৰানাক ( নপৃষ্ঠাত চাওক)

# দেশৰ ভিতৰতে দ্ৰুত বিকশিত ৰাজ্যৰ তৃতীয় স্থানত অসম



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতৰ দ্ৰুতগতিত বিকশিত ৰাজ্যসমূহৰ ভিতৰত অসমে তৃতীয় স্থান লাভ কৰিছে। অসমৰ স্থিৰ মূল্যত জিএছডিপি বিকাশৰ হাৰ ৭.৯৪ শতাংশলৈ বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰী কৰিছে। মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে ৰাজ্যৰ অৰ্থনীতিৰ কিছুবছৰ পূৰ্বলৈ কল্পনাতীত এই পৰিসংখ্যাই অসমক এক নতুন গতি প্ৰদান কৰিছে। ২০১১-১২ বৰ্ষক ভিত্তি হিচাপে লৈ ২০২৪-২৫ বৰ্ষত জিএছডিপি বিকাশৰ ক্ষেত্ৰত অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশৰ পিছতে অসমে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। জিএছডিপি বিকাশৰ ক্ষেত্ৰত অসমৰ তলত থকা ৰাজ্যসমূহ হৈছে- বিহাৰ, ছত্তিশগড়, গোৱা, গুজৰাট, হাৰিয়ানা হিমাচল প্ৰদেশ, ঝাৰখণ্ড, কৰ্ণাটক, কেৰালা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ওড়িশা, পঞ্জাৱ, ৰাজস্থান, ছিকিম, তামিলানাড়ু, তেলেংগানা, ত্ৰিপুৰা, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ , চণ্ডীগড়, দিল্লী, জম্মু আৰু কাশ্মীৰ, লাডাখ, পুডুচেৰী আদি। মুখ্যমন্ত্ৰী ডঃ শৰ্মাৰ মতে, অসমৰ বিনিয়োগকাৰী সমৰ্থন নীতি আৰু আন্তঃগাঁথনি, প্ৰতিষ্ঠান আৰু ব্যক্তিৰ ক্ষেত্ৰত স্থায়ী বিনিয়োগে এই বৃদ্ধিৰ সূচনা কৰিছে। মন কৰিবলগীয়া এয়ে যে অসমৰ অৰ্থনৈতিক বিকাশে নতুন মাত্ৰা লাভকৰাটোৱেই ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন আৰু জনমূৰি আয়ৰ বৃদ্ধিকে প্ৰতিফলিত কৰিছে। ২০১৫-১৬ বৰ্ষত ৰাজ্যখনত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ২, ২৭, ৯৫৯ কোটি টকাৰ বিপৰীতে জনমূৰি আয় ৬০, ৮১৭ টকালৈ বৃদ্ধি পায়। ২০২১-২২ বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৪, ১১, ৪৫৪ কোটি টকাৰ বিপৰীতে জনমূৰি আয় ১, ০৩, ৩৭০ টকালৈ বৃদ্ধি পায়। ২০২২-২৩ বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ( নপৃষ্ঠাত চাওক)

# সুৰাৰ বিপনী খোলা ৰখাৰ সময় বৃদ্ধি আবকাৰী বিভাগৰ



ৰঙিলী বাৰ্ত্তাসেৱা- বাৰ আৰু ৱাইন শ্ব'প খোলাৰ ক্ষেত্ৰত অবকাৰী বিভাগে নতুন নিৰ্দেশনা জাৰি কৰিছে। আবকাৰী বিভাগে জাৰি কৰা নতুন নিৰ্দেশনা অনুসৰি, এতিয়াৰে পৰা নিশা ৰৰ বজালৈ খোলা থাকিব সুৰাৰ বিপণী। সেইদৰে গুৱাহাটী পৌৰ নিগম এলেকাত থকা বাৰ, ৰেষ্টুৰেণ্টসমূহ নিশা ১২.৩০ বজালৈ খোলা থাকিব। পূৰ্বতে বিলাতী সুৰাৰ বিপণী আৰু দেশীয় সুৰাৰ বিপণীসমূহ গুৱাহাটী মহানগৰীত নিশা ১০ বজালৈ খোলা আছিল। আবকাৰী বিভাগৰ নতুন সিদ্ধান্ত অনুসৰি এতিয়া বিলাতী সুৰাৰ বিপণী আৰু দেশীয় সুৰাৰ বিপণী খোলা ৰখাৰ সময় এঘণ্টাকৈ বৃদ্ধি পালে। সেইদৰে মহানগৰীত একাংশ বাৰ, ৰেষ্টুৰেণ্ট নিশা ১২ বজালৈ খোলা ৰখাৰ অনুমতি আছিল যদিও বহু বাৰ খোলা ৰখাৰ নিশা ১০ বজালৈহে খোলা ৰখাৰ অনুমতি আছিল। কিন্তু এতিয়াৰে পৰা মহানগৰীৰ সকলো বাৰ-ৰেষ্টুৰেণ্ট নিশা ১২.৩০ বজালৈ খোলা ৰাখিব পাৰিব। আনহাতে, এতিয়াৰে পৰা দেশীয় সুৰাৰ বিপণীত বিলাতী সুৰা বিক্ৰীৰ বাবে আবকাৰী বিভাগে নতুনকৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি বৰ্তমানৰ দেশীয় সুৰাৰ বিপণীসমূহে বিলাতী সুৰা বিক্ৰীৰ বাবে অতিৰিক্তভাৱে প্ৰয়োজনীয় আবেদন মাচুল জমা দি আবেদন কৰিব লাগিব। তেনেধৰণৰ আবেদন লাভৰ পাছত ( নপৃষ্ঠাত চাওক)

# বেংগালুৰুক ৬ উইকেটত পৰাস্ত দিল্লী কেপিটেলছৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আইপিএলত জয়ৰ ধাৰা অব্যাহত দিল্লী কেপিটেলছৰ। বেংগালুৰুত অনুষ্ঠিত মেচখনত লোকেশ ৰাহুলৰ বিস্ফোৰক অপৰাজিত ৯৩ ৰানৰ সহায়ত দিল্লীয়ে ঘৰুৱা দল ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। প্ৰতিযোগিতাখনত ক্ৰমাগত চতুৰ্থটো বিজয় সাব্যস্ত কৰি দিল্লীয়ে পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উন্নীত হৈছে। বিপৰীতে বেংগালুৰুৰ এয়া আছিল দ্বিতীয় পৰাজয়। দলটোৱে পাঁচখন মেচৰ তিনিখনত বিজয় সাব্যস্ত কৰিছে। আৰচিবিয়ে জয়ৰ বাবে বান্ধি দিয়া ১৬৪ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি ৰাহুলৰ অপৰাজিত ৯৩ ৰানৰ সহায়ত দিল্লীয়ে ১৭.৫ অভাৰত চাৰিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ৰাহুলে ৫৩ বলত সাতটা চাৰি আৰু ছয়টা ছয়েৰে ৯৩ ৰান কৰি ( নপৃষ্ঠাত চাওক)

# পুনৰ অধিনায়কৰ দায়িত্বত ধোনী




ৰঙিলী বাৰ্ত্তাসেৱা- চলিত আই পি এলৰ পৰা চেন্নাই ছুপাৰ কিংছৰ অধিনায়ক ঋতুৰাজ গাইকোৱাডে আঘাতৰ বাবে আধাতে বাহিৰ হ'বলগীয়া হৈছে । চলিত আইপিএলৰ পৰৱৰ্তী মেচকেইখনত চেন্নাই ছুপাৰ কিংছক পুনৰ নেতৃত্ব দিব মহেন্দ্ৰ সিং ধোনীয়ে। কলকাতা নাইট ৰাইডাৰ্ছৰ বিপক্ষে খেলিবলগীয়া মেচখনৰ পূৰ্বে চেন্নাই ছুপাৰ কিংছৰ মুখ্য প্ৰশিক্ষক ষ্টিফেন ফ্লেমিঙে কয় যে দলটোৰ স্থায়ী অধিনায়ক ঋতুৰাজ গাইকোৱাড সম্প্ৰতি আঘাতপ্ৰাপ্ত। ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে খেলা মেচখনৰ সময়ছোৱাত গাইকোৱাডে সোঁ কিলাকুটিত আঘাত পাইছিল। এই আঘাতৰ বাবে গাইকোৱাডে পৰৱৰ্তী মেচকেইখনত অংশগ্ৰহণ কৰিব নোৱাৰিব। এয়া আমাৰ বাবে এক মোক্ষম আঘাত। ( নপৃষ্ঠাত চাওক)

# বিশিষ্ট লেখিকা তথা অভিনেত্ৰী গীতালী বৰুৱাৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ সাহিত্য আৰু সাংস্কৃতিক ক্ষেত্ৰলৈ এক দুঃসংবাদ। কবি-সাহিত্যিক-অভিনেত্ৰী বিলাসীপাৰা গীতালী বৰুৱাৰ শেষ নিশ্বাস ত্যাগ। মৃত্যুৰ সময়ত কবিগৰাকীৰ বয়স আছিল ৬৪ বছৰ। গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত হৃদৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছিল। চিকিৎসাধীন অৱস্থাতে হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু হয় গীতালী বৰুৱাৰ। উল্লেখ্য যে গুৱাহাটী দূৰদৰ্শনত ঘোষিকা হিচাপে কৰ্ম জীৱন আৰম্ভ কৰাৰ পাছতে কেইবাখনো অসমীয়া চলচ্চিত্ৰত নায়িকাৰ চৰিত্ৰত অভিনয় কৰি তেওঁ দৰ্শকৰ সমাদৰ লাভ কৰিছিল। বিলাসীপাৰাত জন্মগ্ৰহণ কৰা তথা অঞ্চলটোৰ সু-চিকিৎসক অখিল বৰুৱাৰ সহধৰ্মিণী গীতালী বৰুৱাই সাহিত্য চৰ্চাত বিশেষ মনোনিৱেশ কৰিছিল। চিকিৎসক স্বামীৰ প্ৰেৰণাক সাৰোগত কৰি তেওঁ নিজ বাসভৱনৰ এটা কোঠাক লাইব্ৰেৰীৰ ৰূপ দিয়ে, য'ত নীৰৱে চৰ্চা কৰি গৈছিল অসমীয়া সাহিত্যৰ। সৃষ্টি কৰিছিল কেইবাখনো কবিতা সংকলন, গল্প সংকলন আৰু উপন্যাস। অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত কৰা গ্ৰন্থমেলাৰ প্ৰতিটো বিপণীৰ সৌষ্ঠৱ বৃদ্ধি কৰি আহিছে কবিগৰাকীৰ সৃষ্টিৰাজিয়ে। নিৰৱচ্ছিন্নভাৱে অসমীয়া সাহিত্য-সংস্কৃতিৰ সাধনাৰ বাবেই বৰুৱাক কেইবাটাও অনুষ্ঠান-প্ৰতিষ্ঠানে বঁটাৰে সন্মানিত কৰিছে। অসম সাহিত্য সভাই তেওঁক প্ৰদান কৰিছে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা বঁটা, অসম সাংস্কৃতিক মহোৎসৱে বৰুৱাক প্ৰদান ( নপৃষ্ঠাত চাওক)

# তেজপুৰত বিধ্বংসী অগ্নিকাণ্ড



ৰঙিলী বাৰ্ত্তাসেৱা- মঙলবাৰে পুৱাৰ ভাগত তেজপুৰত সংঘটিত হয় এক হৃদয় বিদাৰক ঘটনা। পুৱাই তেজপুৰৰ বাৰহলীয়াত সংঘটিত হৈ এক বিধ্বংসী অগ্নিকাণ্ড। এই বিধ্বংসী অগ্নিকাণ্ডত জীৱন্তে অগ্নিদগ্ধ হৈ নিহত হয় এজন যুৱক।শুই থকাৰ অৱস্থাতে বিকাশ শৰ্মা নামৰ যুৱকজন নিহত হয়। জানিব পৰা মতে, পেচাত এগৰাকী অধিবক্তা আছিল বিকাশ শৰ্মা। উল্লেখ্য যে একমাত্ৰ জ্যেষ্ঠ ভগ্নীৰ স'তে তেজপুৰৰ বাৰহলীয়াৰ নিজা ঘৰত বাস কৰিছিল অধিবক্তাজনে। মঙলবাৰে পুৱা প্ৰায় ছয় বজাত সংঘটিত অগ্নিকাণ্ডত অধিবক্তা শৰ্মাৰ বাসগৃহটো সম্পূৰ্ণৰূপে জুইত জাহ যায়। এই মৰ্মান্তিক ঘটনাত কথমপি প্ৰাণৰক্ষা পৰে জ্যেষ্ঠ ভগ্নীৰ। প্ৰত্যক্ষদৰ্শীয়ে সদৰী কৰা অনুসৰি, ভাতৃ আৰু জ্যেষ্ঠ ভগ্নী শুই থকা অৱস্থাতে বাসগৃহটো জুয়ে চানি ধৰে আৰু ফলত ঘৰৰ ভিতৰতে আবদ্ধ হৈ পৰা অধিবক্তা বিকাশ শৰ্মা মৃত্যুমুখত পৰে। ভয়ংকৰ অগ্নিকাণ্ডৰ কাৰণ এতিয়াও নিশ্চিত হোৱা নাই যদিও এই কথা নিশ্চিত হৈছে যে টোপনিত থকা বায়েক আৰু ভায়েকে অগ্নিকাণ্ডৰ বিষয়ে জনাই নাছিল। বেৰৰ পুৰণা ঘৰটোত লগা জুই নিমিষতে বিয়পি পৰে আৰু দাউদাউকৈজ্ব লি থকা জুই প্ৰাতঃভ্ৰমণলৈ ওলাই অহা লোকেহে দেখিবলৈ পায়। লগে লগে অঞ্চলটোত হুৰাদুৰা লাগে আৰু প্ৰত্যক্ষদৰ্শীসকলে দুৱাৰ ঢকিয়াই তথা চিঞৰি ভিতৰত থকা ( নপৃষ্ঠাত চাওক)

# ইছৰোৰ অধ্যক্ষ ড° ভি নাৰায়নৰ সৈতে বৈঠকত মিলিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা



ৰঙিলী বাৰ্ত্তাসেৱা- অসমে নিজাকৈ উৎক্ষেপণ কৰিবলগীয়া উপগ্ৰহ সম্পৰ্কে নতুন দিল্লীস্থ আছাম হাউছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইছৰোৰ অধ্যক্ষ ড° ভি নাৰায়নৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। ইছৰোৰ অধ্যক্ষ ভি নাৰায়াণনৰ সৈতে হোৱা বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত কয় যে, অসমৰ ভূখণ্ডত চকু ৰখাকৈ মহাকাশত উৎক্ষেপণ কৰিবলগীয়া কৃত্ৰিম উপগ্ৰহক লৈ অতিশীঘ্ৰে ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ সৈতে এখন বুজাবুজি চুক্তি সম্পাদন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকাশ কৰা মতে, কেৱল অসম ভূখণ্ডত দৃষ্টি নিবদ্ধ ৰখাকৈ ৬-৭টা উপগ্ৰহ প্ৰেৰণ কৰা হ'ব। উপগ্ৰহসমূহ আপেক্ষিকভাৱে কম উচ্চতাৰ কক্ষপথত স্থাপন কৰোৱা হ'ব। উল্লেখ্য যে অনুপ্ৰৱেশ ৰোধ কৰিব পৰাকৈ সীমান্ত সুৰক্ষা, দুৰ্যোগ ব্যৱস্থাপনা, কৃষিক্ষেত্ৰত উন্নত প্ৰযুক্তিৰ প্ৰয়োগ, আন্তঃগাঁথনি উন্নয়ন তথা পৰিকল্পনা তথা আইন বলৱৎকাৰী আৰক্ষী ব্যৱস্থাপনাৰ উন্নতি সাধনৰ বাবে চলিত বছৰৰ ৰাজ্যিক বাজেটত বিত্তমন্ত্ৰী অজন্তা নেওগে অসম চৰকাৰৰ নিজা উপগ্ৰহ প্ৰক্ষেপ কৰাৰ কথা ঘোষণা কৰিছিল। 'অছামছেট' নামেৰে উৎক্ষেপণ কৰিবলগীয়া উক্ত কৃত্ৰিম উপগ্ৰহৰ বাবদ ৪৫০ কোটিৰ পৰা ৫০০ কোটি টকা ব্যয় কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই ইয়াৰ পূৰ্বে ধাৰণা ব্যক্ত কৰিছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই উপগ্ৰহই কেনোবা বিদেশীয়ে ( নপৃষ্ঠাত চাওক)

# ৫০ টকাকৈ বৃদ্ধি পালে ঘৰুৱা চিলিণ্ডাৰৰ মূল্য



ৰঙিলী বাৰ্ত্তাসেৱা- মধ্যবিত্তৰ মূৰত মাধমাৰ শোধাৰাই ঘৰুৱা গেছ চিলিণ্ডাৰৰ মূল্য বৃদ্ধি কৰিছে কেন্দ্ৰীয় চৰকাৰে। ৫০ টকা বৃদ্ধি কৰা হৈছে ঘৰুৱা গেছ চিলিণ্ডাৰৰ মূল্য। মূল্য বৃদ্ধিৰ কথা ঘোষণা কৰি মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কয় যে আমি আগন্তুক দিনত পুনৰীক্ষণ কৰিম। এল পি জি গেছ আৰু পেট্ৰ'ল-ডিজেলৰ বৰ্ধিত মূল্য সোমবাৰে নিশা ১২ বজাৰ পৰা কাৰ্যকৰী হ'ব। চৰকাৰে দিয়া তথ্য অনুসৰি ২০২৫ চনৰ ৮ এপ্ৰিল অৰ্থাৎ মঙলবাৰৰ পৰা এল পি জি গেছ চিলিণ্ডাৰৰ মূল্য ৫০ টকাকৈ বৃদ্ধি কৰা হৈছে। এই বৃদ্ধি এতিয়া উজ্জ্বলা আঁচনিৰ অধীনত প্ৰদান কৰা গেছ চিলিণ্ডাৰৰ ওপৰতো পৰিব। প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ অধীনত দৰিদ্ৰ মহিলাক বিনামূলীয়াকৈ গেছ সংযোগ দিয়া হয় যাতে তেওঁলোকে পৰিষ্কাৰ ৰন্ধন ইন্ধন অৰ্থাৎ এল পি জি লাভ কৰিব পাৰে। এই আঁচনিৰ সুবিধা গ্ৰামাঞ্চলৰ দৰিদ্ৰ মহিলাসকলক দিয়া হয়। এতিয়া নতুন মূল্য অনুযায়ী উজ্জ্বলা যোজনা আৰু অন্যান্য গ্ৰাহক দুয়োজনে গেছ চিলিণ্ডাৰৰ বাবে ৫০ টকা অধিক দিব লাগিব। কেন্দ্ৰীয় পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে কয় যে এল পি জি চিলিণ্ডাৰৰ মূল্য ৫০ টকা বৃদ্ধি কৰা হ'ব। উজ্জ্বলা যোজনাৰ হিতাধিকাৰীৰ বাবে এতিয়া গেছ চিলিণ্ডাৰৰ মূল্য ৫০০ টকাৰ পৰা ৫৫০ টকালৈ বৃদ্ধি পাব। অসমত পূৰ্বে ৮৫২ টকাত ক্ৰয় কৰিবলগীয়া ৰন্ধন গেছৰ চিলিণ্ডাৰ এতিয়াৰে পৰা ৯০২ টকাত ক্ৰয় কৰিব লাগিব। আনহাতে দেশৰ ( নপৃষ্ঠাত চাওক)

# প্ৰতিলিটাৰ পেট্ৰ'ল-ডিজেলৰ আবকাৰী শুল্ক দুটাকৈ বৃদ্ধি




ৰঙিলী বাৰ্ত্তাসেৱা- ৮ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ প্ৰতিলিটাৰ পেট্ৰ'ল আৰু ডিজেলত ২ টকাকৈ আবকাৰী শুল্ক বৃদ্ধি কৰিছে কেন্দ্ৰীয় চৰকাৰে। মঙলবাৰে মাজনিশাৰ পৰা কাৰ্যকৰী হ'ব এই নতুন ৰেট। আবকাৰী শুল্ক প্ৰতি লিটাৰত ২ টকাকৈ বৃদ্ধি কৰাৰ ফলত প্ৰতিলিটাৰ পেট্ৰ'লত শুল্ক হ'বগৈ ২১.৯০ টকা আৰু ডিজেলত ১৭.৮০ টকা। ইফালে কেন্দ্ৰীয় পেট্ৰ'লিয়াম মন্ত্ৰালয়ে ঘোষণা কৰা অনুসৰি এই শুল্ক বৃদ্ধিৰ ফলত গ্ৰাহকৰ ওপৰত কোনো প্ৰভাৱ নপৰে। গ্ৰাহকে পূৰ্বৰ দামতে লাভ কৰিব পেট্ৰ'ল-ডিজেল। কাৰ্যতঃ আবকাৰী শুল্ক বৃদ্ধিৰ পাছতো খুচুৰা বিক্ৰীত প্ৰভাৱ নপৰে। মন কৰিবলগীয়া যে ৰাজহ বৃদ্ধিৰ লক্ষ্যৰে কেন্দ্ৰীয় চৰকাৰে ইন্ধনজাত সামগ্ৰীৰ শুল্ক বৃদ্ধিৰ প্ৰস্তাৱ গ্ৰহণ কৰা বুলি চৰ্চা চলিছে। অৱশ্যে এনে আবকাৰী শুল্ক বৃদ্ধিৰ ফলত পৰিবহণৰ সামগ্ৰীৰ দাম বৃদ্ধিৰ ক্ষেত্ৰত প্ৰভাৱ পৰাৰ সম্ভাৱনা আছে। বিগত বৰ্ষৰ ডিচেম্বৰ মাহত বিশ্বজুৰি তেলৰ মূল্য হ্ৰাস পোৱাৰ ফলত চৰকাৰে স্থানীয়ভাৱে উৎপাদিত খাৰুৱা তেলৰ ওপৰত শুল্ক হ্ৰাস কৰিছিল। এই শুল্ক বৃদ্ধিৰ প্ৰাক্ক্ষণত ৭ এপ্ৰিলত প্ৰতিলিটাৰ পেট্ৰ'লৰ মূল্য নতুন দিল্লীত ৯৪.৭৭ টকা, মুম্বাইত ১০৩.৫০ টকা, চেন্নাইত ( নপৃষ্ঠাত চাওক)

# আমাৰ বহাগৰ বিহুটি



বিহু আমাৰ অসমীয়াৰ জাতীয় উৎসৱ, হৃদয়ৰ আৱেগ জড়িত হৈ আছে। বহাগ এটি মাহ নহয় আমাৰ অসমীয়া জাতিটোৰ আয়ুস ৰেখা। অসমীয়া সকলৰ জীৱনৰ বছৰটোৰ প্ৰথম মাহ হিচাপে বিশেষ তাৎপৰ্য আছে। চ'ত মাহৰ অন্তিম দিনটোৰ পৰাই আৰু বহাগৰ প্ৰথম দিনাই আমাৰ বহাগ বিহুৰ আৰম্ভণি। গোটেই মাহজোৰা বহাগ বিহু চলি থাকে যদিও বৃহত্তৰ অসমীয়া জাতিৰ সকলো ধৰ্মৰ লোকে প্ৰধানকৈ সাত দিন বিহু পালন কৰে। যেনে-

১) গৰু বিহু
২) মানুহ বিহু
৩) গোঁসাই বিহু
৪) তাঁতৰ বিহু
৫) নাঙলৰ বিহু
৬) চেনেহী বিহু
৭) চেৰা বিহু

ঠাই বিশেষে নামবোৰ বেলেগ বেলেগ হ'ব পাৰে আৰু ৰীতি -নীতি অলপ বেলেগ বেলেগ হ'ব পাৰে। কোনো ঠাই চেনেহী বিহুক জীয়ৰী বিহু বুলিও কোৱা শুনিছোঁ। হিন্দু সকলে গৰুক লক্ষ্মী দেৱীৰ লগত তুলনা কৰে, সেই কাৰণে আমাৰ অসমীয়াই বিহুৰ প্ৰথম দিনটো গৰু বিহুৰ পৰাই আৰম্ভ কৰে। সেইদিনা লাউ- বেঙেনা কাটি গৰুক খুৱাই, দীঘলতি/ মাখিয়তীৰ ঠাৰিৰে গৰুৰ পিঠিত লাহেকৈ কোব এটি দি গীত গোৱা শুনিছোঁ।

দীঘলতি দীঘল পাত, গৰুক
কোবাওঁ জাত জাত
মাৰ সৰু বাপেৰ সৰু তই হ'বি
মস্ত গৰু।
লাউ খা বেঙেনা খা বছৰে বছৰে
বাঢ়ি যা।।

এনেকৈ জান/ জুৰি নৈ আদি লৈ নি গা- ধুৱাই- পখলাই নতুন গৰুজনীক নতুন পঘা পিন্ধাই আৰু সন্ধিয়া গোহালি ঘৰত ধোঁৱা দিয়ে যাতে কীট-পতঙ্গৰ ইত্যাদিৰ পৰা গৰুজনী ৰক্ষা পৰে বছৰটোৰ কাৰণে। কিন্তু নাম বোৰ বেলেগ হ'লেও আমাৰ এই বিহুটি কৃষিৰ লগত জড়িত।

সেই কাৰণে বসন্তৰ আগমনত প্ৰথম জাক বৰষুণ পৰাৰ পিছত আই বসুমতী ঋতুমতী হয়। গছ লতিকা কুঁহি পাত ওলাই, প্ৰকৃতি ফলে-ফুলে জাতিস্কাৰ হৈ পৰে। প্ৰকৃতিৰ এটি সুন্দৰ ৰূপ বৰষুণৰ দ্বাৰা (প্ৰজনন)মিলন ঘটাই বসুমতী আই শস্যৰে নদন -বদন হোৱাৰ প্ৰক্ৰিয়া ৰঙালী বিহুৰ তাৎপৰ্য লুকাই আছে। হয়তো সেই বাবেই পূৰ্বপুৰুষ সকলৰ দিনৰ পৰা মুকলি পথাৰত গছৰ তলত ডেকা-গাভৰু বিহু নাচে বং ধেমালি কৰে বা এতিয়াও মুকলি বিহু আছে যদিও বৰ্তমান মঞ্চত গতি কৰা দেখা পাওঁ।

এই ৰঙালী বিহুটি আন এটি বিশেষত্ব হ'ল সাজ পোচাক। মুগাৰ বা মুগাৰ ৰঙৰ সাজপাৰ আৰু গলপতা/ডুগডুগী গামখাৰু ইত্যাদি বিভিন্ন অসমীয়া গহনা পৰিধান কৰে নাচনী সকলে আৰু ঢুলীয়া/পেঁপা বজোৱা ডেকা সকলে ধুতি, মুগাৰ ৰঙৰ চোলা পৰিধান কৰে আৰু মূৰত গামোচাৰে পাগুৰি আৰু কঁকালত গামোচা টঙালি বান্ধে। এটা জাতিৰ ঐতিহ্য বহন কৰে আমাৰ এই সাচ-পোচাকে। জাতীয় সাজ পোচাক যোৱেও আমাক বিশ্ব দৰবাৰত পৰিচয় কৰাত সহায় কৰিছে। গামোচাখন এইক্ষেত্ৰত বিশেষ স্থান আছে। আমাৰ অসমীয়া সকলৰ গামোচাখন মান -সন্মান স্বাভীমানৰ প্ৰতীক। বিহুত সন্মান জনোৱা আশীৰ্বাদ লোৱা আনকি বিয়া পূজা পাৰ্বন সকলোতে ব্যৱহাৰ হয়। অতিথি আহিলেও গামোচা খনেৰে আদৰণি জনাওঁ। মৰমৰ বিহুটিৰ বিষয়ে লিখি থাকিলে শেষ নহ'ব।

**অনামিকা(সংগীতা)কলিতা, শুৱালকুছি**

# বহাগৰ সৌন্দৰ্যবৰ্দ্ধক ফুল "কপৌ ফুল"



**মিতালি বৰঠাকুৰ (আচাৰ্য), গুৱাহাটী**

মন প্ৰাণ পুলকিত কৰা কপৌ ফুল পাহি যৌৱনৰ এক মিঠা শিহৰণ যোগোৱা প্ৰণয়ৰ প্ৰতীক। চৌপাশ বিনন্দীয়া পৰিবেশ। প্ৰকৃতি ফলে - ফুলে জাতিস্কাৰ বসন্তৰ দুপৰীয়া। গছে গছে নানাৰঙী ফুলৰ সমাহাৰ।তাৰ ভিতৰত অসমীয়াৰ অতি আপোন ৰঙালী বিহুৰ অন্যতম আকৰ্ষণ হ'ল আদৰৰ কপৌ ফুল। যদিও বহাগত নাহৰ, তগৰ ফুলে চৌদিশ আমোল মোলাই থাকে তথাপি বহাগৰ কপৌ পাহি নাচনীৰ অতি মৰমৰ প্ৰতীক। পাতল গুলপীয়া আৰু বগা বেঙুনীয়াৰ সংমিশ্ৰণৰ এক আকৰ্ষণীয় ৰঙেৰে সকলোৰে মন মুহি নিয়ে এই কপৌ পাহিয়ে। সেয়ে কবিয়ে গাইছে -

"কপৌ ফুল মৰমৰ
কপৌ ফুল মোৰ চেনেহৰ
কপৌ ফুল মোৰ বুকুৰে আপোন।"

কপৌ ফুলৰ মিঠা আকৰ্ষণীয় সুবাসত প্ৰতিজন অসমীয়াৰ মন সুবাসিত হয়। অতীজত বিহুৱা ডেকাই মৰমৰ চীন স্বৰূপে এপাহ কপৌ ফুল নাচনীৰ খোপাত গুজি দিয়াৰ পৰম্পৰা আছিল য'ত লুকাই আছিল প্ৰেম, বিশ্বাস আৰু সপোনৰ এখনি মধুৰ স্মৃতি। যৌৱনৰ দুপৰীয়া মনৰ মানুহে এপাহি কপৌ ফুল উপহাৰ দিয়াৰ সঠিক মূল্য লওঁতা আৰু যাঁচোতা জনেহে উপলদ্ধি কৰিব পাৰে। য'ত নিহিত হৈ থাকে সাহস, বিশ্বাস আৰু পবিত্ৰ প্ৰেমৰ এক নিৰ্মল চানেকি। সেয়ে বিহুৱা ডেকাই বিহুগীতত গাইছে -

"পাহাৰে ভৈয়ামে ঘুৰিনো ফুৰিছো
কপৌ ফুল এপাহিৰ বাবে
কপৌ ফুল নাপালে বিহুকে নানাচে
প্ৰতিজ্ঞা কৰিছে ধনে।"

কপৌ ফুলক 'অৰ্কিড 'বুলি কোৱা হয়। এই ফুল পৰজীৱী নহয় বৰঞ্চ পৰাশ্ৰয়ী যদিও, এই গছে ৰ'দ, বতাহ, নিয়ৰ কণা, সেউজীয়া পাত আৰু শিপাৰ পৰা সাৰ গ্ৰহণ কৰি জীয়াই থাকে। যাক বায়বীয় অৰ্কিড বোলা হয়। অসমত কপৌ ফুলৰ তিনিটা প্ৰজাতি পোৱা হয় যেনে মতা কপৌ, কপৌ আৰু ভাটো ফুল। এই ফুল সমগ্ৰ বিশ্বৰ লগতে উত্তৰ পূৰ্বাঞ্চল, হিমাচল প্ৰদেশ, বিহাৰ আৰু বেংগালুৰু আদি ঠাইত পোৱা যায়। অসমীয়া জাতীয় জীৱনত কপৌ ফুলৰ যি এক সুকীয়া আসন আছে সেইয়া কেতিয়াও ম্লান নপৰে। প্ৰতিটো ৰঙালী বহুতে চেনেহৰ কপৌ পাহিৰ আদৰ সদায় চিৰ স্মৰণীয় হৈ জিলিকি থাকিব। এনেহেন সৌন্দৰ্য্যৰে ভৰা মৰমৰ কপৌ ফুলৰ উদ্ভিদ জোপাৰ প্ৰতি সকলোৰে গুৰুত্ব দি ৰক্ষণা বেক্ষণ কৰাটো নিতান্তই প্ৰয়োজনীয়। কিয়নো বসন্তৰ কপৌ পাহি প্ৰতিজন অসমীয়াৰ চেনেহৰ গৌৰৱৰ আৰু প্ৰণয়ৰ এপাহি সুগন্ধি ফুল।

# কপৌফুল পাহ



জুলুঙাত এতিয়াও...
তুমি দিয়া কপৌফুল পাহ
এতিয়াও আছে মোৰ জুলুঙাত
ধূসৰতাৰ বৰণ হৈছে যদিও
সযতনে থৈছোঁ
তুমি দিয়া যে
প্ৰতিটো বিহুতে উলিয়াই চাওঁ,
তুমি যে দেখাই পোৱা নাছিলা
ফুলপাহ দিয়া দিনা
মোৰ ঘিলা খোপাত লগাই
বাৰে বাৰে আইনা চাই
সুখত ভাগি পৰিছিলো
তুমি যে কাষতেই নাই
ধুনীয়া লাগিছে বুলি ক'বলৈ
এতিয়াও কলিজা স্পৰ্শ কৰি যায়
তোমাৰ অনুভৱ বোৰে
এতিয়াও ছটিয়াই যায় ফুলপাহে
তোমাৰেই সুগন্ধি
তুমি দিয়া যে।

**মীৰা কোঁৱৰ**

অনুগল্প

# স্নেহ বন্ধন



**আৰতী কলিতা ডেকা, হেঙৰাবাৰী**

বৰ নিমাওমাও লাগিছে মিকি নহয় নে ? কি যে পাপ কৰিছিলো আমি এই বৃদ্ধ অৱস্থাত দুইজনে এই প্ৰকাণ্ড অট্টালিকাটোত। লগত মাথো সহায়িকা দুজন । চাৰিজন সন্তান থাকিও আমি এতিয়া নিসন্তান আটায়ে বাহিৰত চাকৰি কৰি ঘৰ সংসাৰ পাতিলে। ক'ৰবাত কিবা ভুল হ'ল চাগে অট্টালিকাৰ নামটো বাৰু কি হোৱা উচিত আছিল। মিকী তুমি নামাতা কিয়!!



# বিহংগম দৃষ্টিত বিহু

**অলকা বুজৰবৰুৱা, টিহু টাউন, নলবাৰী**

“বিহু অসমীয়াৰ সাংস্কৃতিক উৎসৱ। সংস্কৃতি যদি জাতীয় জীৱনৰ ধাৰা হয়, বিহুৰ লগতো অসমীয়া জাতীয় জীৱনৰ ওতঃপ্ৰোত সম্পৰ্ক জড়িত হৈ আছে। সংস্কৃতি মানুহৰ সৌন্দৰ্যবোধ, সৃষ্টি প্ৰতিভা, আৰু মানসিক উৎকৰ্ষ বা মানৱতাবোধৰ গইনা লৈ সৃষ্টি হয়। অসমীয়া সংস্কৃতিৰ আটাইকেইপদ বহুমূলীয়া সম্পদ বিহুৰ লগত জড়িত হৈ আছে, আৰু সংস্কৃতি যদি বোঁৱতী নৈ, সংস্কৃতি, সমন্বয়ৰ সৃষ্টি, তেনেহলে এই বিহু উৎসৱেই সাক্ষী।”- ড° লীলা গগৈ

অসমীয়াৰ প্ৰাণাধিক ৰঙালী বিহুৰ কথাই সুকীয়া। ই অসমীয়াৰ এক অতুল্য উৎসৱ, অসমীয়াৰ জাতীয় জীৱনৰ প্ৰাঞ্জল অভিব্যক্তি। ৰঙালী বিহু অসমৰ এটা প্ৰধান উৎসৱ যাৰ মূল উদ্দেশ্য বসন্ত ঋতুক স্বাগতম জনোৱা। সাতদিন ধৰি পালন কৰা এই লোক উৎসৱটি গৰু বিহুৰে আৰম্ভ হৈ সমাপ্তি ঘটে চেৰা বিহুত। অসমৰ জাতীয় জীৱনত গভীৰভাবে আলোকপাত কৰা আনন্দময় লোক উৎসৱ বোৰৰ ভিতৰত ৰঙালী বিহু অন্যতম।

বসন্তৰ বোকোচাত উঠি আহে আদৰৰ ব'হাগ। পলাশ, শিমলু, মদাৰৰ ফুলে উষ্ম আদৰণি জনায় ৰঙা দলিচাৰে। ফাগুনৰ পছোৱাই লঠঙা কৰা গছ বিৰিখত ন কুঁহিপাত ওলাই প্ৰকৃতিক কৰি তোলে শ্যামলী। প্ৰকৃতিৰ নতুনত্বক আদৰণি জনোৱা টোৱে এই বিহুৰ মূল বৈশিষ্ট্য।

হুঁচৰি, বিহুগীত, বিহু নৃত্য, বিহুঢোল, ম'হৰ শিঙাৰ পেঁপাৰ ধ্বনিৰে মুখৰিত হয় ব'হাগ । জনপ্ৰবাদ মতে ডেকা গাভৰু সকলে মেঘ আৰু পৃথিৱীৰ মিলনৰ বাবে প্ৰেমানুভূতিৰ নৃত্য গীতেৰে এই উৎসৱ পালন কৰে। অসমী আয়েও যেন এই সময়ক আদৰিবলৈ বিনন্দীয়া সাজেৰে নিজকে অপৰূপা সাজে সজাই তোলে।

সেয়েহে গোৱা হয়-

“অতিকৈ চেনেহৰ মুগাৰে
মহুৰা
তাতোকৈ চেনেহৰ ঐ সাঁকো
তাতোকৈ চেনেহৰ বহাগৰ
বিহুটি ঐ
নেপাতি কেনেকৈ থাকো”

প্ৰকৃততে ই এটা কৃষিভিত্তিক উৎসৱ। কৃষি সংস্কৃতিৰ আৰম্ভণিৰে পৰা এই উৎসৱ পালন কৰা হৈ আহিছে, হয়তো ই বিহু নামেৰে নামাংকৃত হোৱা নাছিল। এই সময়ত প্ৰকৃতিয়ে উৰ্বৰতা লাভ কৰে, যৌৱন প্ৰাপ্ত হয় আৰু শস্য উৎপাদনৰ বাবে নিজকে সাজু কৰি তোলে। তাৰ বাবে কৰ্ষণ হয় মেঘমল্লাৰ সতে, বৰষুণে জীপাল কৰি তোলে প্ৰকৃতি। চ'তৰ চিৰাল ফটা পথাৰখন বৰষুণৰ সংস্পৰ্শত হৈ পৰে শস্যসম্ভৰা। ৰঙালী বিহুৰ সৈতে জড়িত হৈ আছে অসমীয়াৰ বহু লোকাচাৰ। তদুপৰি এইবোৰৰ বেছিভাগেই যথেষ্ট বিজ্ঞান সন্মত। প্ৰথম বিহুৰ দিনা মাহ, হালধী আৰু আমৰ কুঁহিৰে গা ধোৱাৰ আঁৰতো আছে বৈজ্ঞানিক ভিত্তি। ফাগুন -চ'ত মাহত শৰীৰৰ ছাল কিছু শুষ্ক হোৱাৰ পিছত এইবোৰ বস্তুৰে গা ধূলে ছাল নিমজ হোৱাৰ লগতে ৰোগমুক্ত হয়। জনবিশ্বাসমতে বিহুৰ দিনা গধূলি তুঁহ, দীঘলতি, মাখিয়তি আদিৰ পাতেৰে ধোঁৱা দিলে মহ-ডাঁহ আঁতৰি যায় আৰু অপশক্তি নাশ হয় বুলি ভৱা হয়। দীঘলতি, মাখিয়তীৰ পাত পুৰিলে ওলোৱা ধোঁৱাত মহ ডাঁহ আদি খেদিব পৰা ঔষধি গুণ আছে। এই সময়ত মানুহৰ শৰীৰত কৃমিৰ প্ৰকোপ বৃদ্ধি পাই বাবে তাক নাশ কৰিবলৈ অসমীয়া বছৰৰ প্ৰথম দিনটোতেই তিতা খোৱাৰ নিয়ম প্ৰচলিত আছে। তদুপৰি সাত বিহুৰ দিনা সাত শাক অৰ্থাৎ বহুবিধ শাক মিহলি কৰি খোৱাৰ যি প্ৰথা তাৰ আঁৰতো বৈজ্ঞানিক ব্যাখ্যা লুকাই আছে। এনেদৰে বহুবিধৰ শাক লগ লগাই তৈয়াৰ কৰা ব্যঞ্জন বিধ ৰোগৰ মহৌষধ। অসমীয়াত এযাৰ কথা আছে যে “সাত বিহুৰ শাক শুকতি দেহাত দিয়ে বল”। সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱে গীতৰ ভাষাৰে কৈছিল

“ব'হাগ মাথোঁ এটি ঋতু নহয়,
নহয় ব'হাগ এটি মাহ।
অসমীয়া জাতিৰ ই
আয়ুসৰেখা,
গণ জীৱনৰ ই সাহ।”

অৱশ্যে আজিৰ তাৰিখত বিহু অকল জাতিৰ আয়ুস ৰেখাই নহয়, বিশ্ব দৰবাৰত ই অসমীয়াৰ অস্তিত্বৰ, অসমীয়াৰ স্বাভিমানৰো প্ৰতীক হৈ পৰিছে।অসমৰ বিভিন্ন জনগোষ্ঠীয় লোকে বিহুক বিভিন্ন নামেৰে পালন কৰে যেনে বড়োসকলৰ বৈশাগু, ৰাভাসকলৰ বায়খু, ডিমাছা সকলৰ বুসু, দেউৰী সম্প্ৰদায়ৰ বিচু, মিছিং সমাজৰ আলি -আই -লৃগাং, কোচ ৰাজবংশী সকলৰ বিষুৱা আদি।

বিহু উৎসৱত গীত, মাত, নৃত্য, লোকাচাৰ, লোককলা, লোক সংস্কৃতি, কৃষিকাৰ্যৰ প্ৰস্তুতি সকলোবোৰ বিদ্যমান। সেয়েহে হেমাংগ বিশ্বাস দেৱে কৈছিল “যি নাই বিহুগীতত সি নাই অসমত, যি নাই অসমত সি নাই বিহুগীতত।”অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ দাপোণ স্বৰূপ এই ৰঙালী বিহু। ৰঙালী বিহুৰ লগত বান্ধ খাই আছে অসমীয়া জাতিৰ ভাষা, কলা, ভাতৃত্ববোধ, সমন্বয় আৰু সংস্কৃতি। জড়িত হৈ আছে অসমৰ থলুৱা সাজ পোচাক, বাদ্যযন্ত্ৰ আৰু অসমৰ কুটিৰ শিল্পৰ মূল আধাৰ তাঁতশাল। কিন্তু বৰ্তমান অসমীয়াৰ তাঁতশালৰ খিটিক খিটিক শব্দবোৰ বেছিভাগ ঠাইতেই শুনিবলৈ পোৱা নাযায়। বিহুত ডাঙৰ জনে সৰু জনক বিহুৱান দিয়া, সৰু জনে ডাঙৰৰ ভৰি চুই আশীৰ্বাদ লোৱা আদি প্ৰথাবোৰৰ ভিতৰত লুকাই আছে সমাজৰ ইজনৰ প্ৰতি সিজনৰ মৰম, ভালপোৱা, সন্মান আৰু শান্তি শৃংখলাৰ লোকাচাৰ। এই বিহুৱানখনো এতিয়া বিদেশী গামোচাৰ।

আন বহুতো লোকাচাৰ যেনে ম'হ যুঁজ, কড়ি যুঁজ, গৰুক লাও বেঙেনাৰ মালা পিন্ধাই, গাত তেল মাহ সানি গা ধুৱাবলৈ নিয়া আদিবোৰ এই বিহুৰ সৈতে সংপৃক্ত হৈ আছে। স্বনামধন্য পুৰুষোত্তম দাস দেৱৰ ৰচিত, বিহুৰ পতাকা উত্তোলনৰ সময়ত গোৱা “ শ্ৰীময়ী অসমীৰ শীতল কোলাত উঠে উছৱৰ মধু আলোড়ন” গীতটিত লুকাই আছে এই ঋতুত প্ৰাণ পাই উঠা অসমৰ বিনন্দীয়া ৰূপ, অতুলনীয় পৰিৱেশ আৰু জলবায়ুৰ কথা।

এটা জাতিৰ সংস্কৃতি সেই জাতিটোৰ দাপোন স্বৰূপ। ই বোৱতী নদীৰ দৰে চিৰপ্ৰবাহমান। কিন্তু সংস্কৃতি সদায় একে নাথাকে। তেনেদৰে বিহুৱেও পৰিৱৰ্তন, বিৱৰ্তনৰ মাজেৰে আহি আজিৰ ৰূপটো পাইছে।এসময়ৰ মুকলি পথাৰৰ বিহু লাহে লাহে মঞ্চলৈ উজাই আহিল।

সময়ৰ লগে লগে সমাজৰ পৰিৱৰ্তন এক অৱধাৰিত ঘটনা প্ৰৱাহ। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা দেৱেও কৈছিল “ৰূপান্তৰেহে জগত ধুনীয়া কৰে”। কিন্তু এই পৰিৱৰ্তন হ'ব লাগিব অসমীয়াৰ নিজস্ব পৰিচয়, স্বাভিমান নেহেৰুৱাকৈ। সম্প্ৰতি দেখা যাবলৈ ধৰিছে যে বিহুৰ লগত জড়িত লোক পৰম্পৰাবোৰ প্ৰায় লুপ্ত হোৱাৰ উপক্ৰম হৈছে। ধূতি, চুৰিয়া মানুহে পিন্ধিবলৈ টান পোৱা হৈ আহিছে। বিহুৰ দিনা গধূলি গোহালিত জাগ দিয়া আদি লোকাচাৰ বোৰ পালন কৰিবলৈ মানুহে টান পোৱা হৈছে। বসন্ত কালত প্ৰকৃতিৰ বিনন্দীয়া ৰূপ, আমাৰ ভাষা, কলা, সংস্কৃতি, লোকাচাৰ, লোকবিশ্বাস এই সকলোবোৰ আমাৰ ভৱিষ্যতৰ প্ৰজন্মক আমিয়েই হৃদয়ংগম কৰাব লাগিব। গণশিল্পী ভূপেন হাজৰিকা দেৱে কোৱা “অসমীয়া জাতিৰ আয়ুস ৰেখা” ডাল মৰ্যাদা সহকাৰে বজাই ৰখাতো আমাৰ কৰ্তব্য, দায়িত্ব।

বিহুগীত সমূহ

*(সাতপৃষ্ঠাত চাওক)*

## বাৰ্তাবাহক



**দীপালী শইকীয়া গগৈ, আমগুৰি**

নৱ পৰিণীতা পত্নীৰ সংগসুখত মজি
নিৰ্বাসিত হ'ব লগা হ'ল যক্ষ
কৰ্তব্যত অৱহেলা হেতু
পত্নীৰ বিৰহ বেদনাত তেওঁ
অতিকে অধীৰ
ব্যাকুল বিহ্বল হৃদয় উপকূল
আলফুলে সাঁচি ৰখা
প্ৰণয়ৰ ভোগজৰাটি
কিমতে প্ৰেৰণ কৰে
প্ৰিয়তমাৰ সমীপে
ব্যথা ভৰা হিয়াৰ দাৰুণ বিননি
আহাৰৰ এচমকা ক'লীয়া ডাৱৰে
দিলে দেখা
সেই মেঘক আকৃতি জনালে
দূতস্বৰূপে কৰিলে নিয়োগ
হৃদয়ৰ বিষাদ ৰাগিণী শুনাবলে
স্বল্প বসনা প্ৰাণাধিকা পত্নীৰ কাষলে
শুনাবলৈ সান্ত্বনাৰ বাণী
ঘটিলে সমাপ্তি অভিশপ্ত দিনৰ
পূৰ্ণ হ'ব প্ৰাণৰ পিয়লা
বিৰহী যক্ষৰ গুপুত সংবাদ
পুৰীৰ তোৰণ দ্বাৰৰ
সিপাৰত থকা পত্নীৰ
অন্ত হ'ব বেউলা অপেক্ষা।

যোৱাখণ্ডৰ পৰা..

# যুৱ উচ্ছৃংখলতাঃসমাজৰ মাৰাত্মক ব্যাধি-স্বৰূপ



৩) নৈতিক আৰু সাংস্কৃতিক অৱক্ষয়- শ্ৰেষ্ঠ মানৱ সভ্যতা গঢ়াৰ আঁৰত আছে হাজাৰ হাজাৰ বছৰৰ চিন্তাশীল সাধক পুৰোধা ব্যক্তি সকলৰ নানা ধৰণৰ পৰীক্ষা-নিৰীক্ষা। এই পৰীক্ষা-নিৰীক্ষাৰ কষটি শিলত কৰ্ষিত হৈ হৈ সৃষ্টি হৈছে নানা কল্প-কাহিনী, সাধুকথা, উপদেশমালা, নানা বচন আৰু বাণী, সাৰমৰ্ম, নীতিশিক্ষামূলক শাস্ত্ৰ, সামাজিক তথা ধৰ্মীয় আচাৰ-অনুষ্ঠান, দেশৰ নানা আইন-কানুন, সংবিধান, দৰ্শন, ধৰ্ম, ভূগোল, বিজ্ঞান, সাহিত্য-কলা -কৃষ্টি- সংস্কৃতি।

এই আটাইবোৰৰ সংমিশ্ৰণত মানৱ সমাজত এক বিশুদ্ধ নৈতিকতা বা উচ্চ নৈতিক মূল্যবোধ (High standard moral ethics)। কিন্তু পৰিৱৰ্তনশীল সমাজ ব্যৱস্থাত এই উচ্চ নৈতিক মূল্যবোধসমূহৰ অৱক্ষয় অনিবাৰ্য হৈ পৰিছে। আনহাতে বৰ্তমান যুগোপযোগী কোনো নতুন মূল্যবোধ সৃষ্টি নোহোৱাৰ ফলত আদৰ্শৰ ক্ষেত্ৰত সমাজ জীৱনত এক বিৰাট শূন্যতাৰ সৃষ্টি হৈছে।

বিশেষকৈ আমাৰ দেশত দেশজ সংস্কৃতিৰ অপমৃত্যু ঘটি পাশ্চাত্য জগতৰ বিজতৰীয়া সংস্কৃতি প্ৰৱেশ কৰি আমাৰ ভাৰতীয় তথা অসমীয়াৰ সমাজ জীৱন কলুষিত কৰি পেলাইছে।

প্ৰাচ্য সমাজৰ লগত খাপ নোখোৱা বিকৃত যৌন আচৰণ, নগ্ন পোছাক-পৰিচ্ছদ পৰিধান, বিকৃত নৃত্য-গীত, সৌন্দৰ্য্য প্ৰতিযোগিতা, বীভৎস মল্ল যুদ্ধ আদি টিভি বা ম'বাইলৰ স্ক্ৰীনত দেখি প্ৰাচ্য দেশৰ যুৱ-চামেই এই কৃত্ৰিম জীৱন ধাৰাত অতিষ্ঠ হৈ ইয়াংকিৰ জীৱন-যাপন কৰিবলৈ বাধ্য হৈছে।

৪) ভুল শিক্ষা নীতি- এতিয়ালৈকে যুগৰ প্ৰয়োজন মিটাব নোৱাৰা ভুল শিক্ষা নীতিয়ে যুৱ-চামক শুদ্ধ আৰু সঠিক পথৰ সন্ধান দিব পৰা নাই।

এপিনে ধনী দেশসমূহৰ শিক্ষা নীতি উচ্চ মানৰ যদিও যথেষ্ট ব্যয়-বহুল। আনহাতে দুখীয়া দেশসমূহৰ চৰকাৰী শিক্ষা ব্যৱস্থা খুবেই নিম্ন মানৰ। বেচৰকাৰী খণ্ডৰ শিক্ষা ব্যৱস্থা কিছু উন্নত যদিও খুবেই ব্যয়বহুল। এনে পাৰ্থক্যৰ বাবে ধনী আৰু দুখীয়াৰ মাজত ব্যৱধান ক্ৰমে বাঢ়িবলৈ লৈছে। গতিকে, এই ভুল শিক্ষা নীতিয়ে যুৱ-চামৰ মাজত উচ্ছৃংখলতাৰ বীজ ৰোপণ কৰাথ কাৰক হৈ পৰিছে।

৫) নিবনুৱা সমস্যা- সাম্প্ৰতিক কালত গোটেই বিশ্বজুৰি (ধনী আৰু দুখীয়া দেশসমূহত) নিবনুৱা সমস্যা এক জটিল ৰূপ ধাৰণ কৰিছে। ভুল শিক্ষা নীতি বা প্যঁনতম সুবিধা লাভ কৰি হ'লেও যুৱ-শ্ৰেণীয়ে একান্ত নিজৰ চেষ্টাৰ বলতেই অৰ্হতা লাভ কৰা সত্ত্বেও কৰ্ম-সংস্থান লাভ কৰিব নোৱাৰি হতাশ-গ্ৰস্ত হৈ পৰিছে। উদাহৰণ স্বৰূপে আমাৰ অসমৰ দৰে সৰু ৰাজ্য এখনত বৰ্তমান নিবনুৱাৰ সংখ্যা ৩৫ লক্ষাধিক।

৬) পৰিবেশ প্ৰদূষণ- নানা বৈজ্ঞানিক আৱিষ্কাৰে এপিনে মানৱ সভ্যতাক সমৃদ্ধিশালী কৰিছে, আনপিনে পৰিৱেশ প্ৰদূষণ ঘটাই মানৱ সমাজ ধ্বংসৰ পিনেও ঠেলি দি আছে।

অত্যাধুনিক যুদ্ধৰ আগ্নেয়াস্ত্ৰৰ পৰীক্ষা-নিৰীক্ষা আৰু প্ৰয়োগ, ভূগৰ্ভ, পৃথিৱীৰ পাদদেশ আৰু আকাশ মাৰ্গত আনবিক আৰু পৰমাণৱিক পৰীক্ষা-নিৰীক্ষা, য'তে ত'তে বৃহৎ বৃহৎ কল-কাৰখানা স্থাপন, আকাশ-লংঘী অট্টালিকা নিৰ্মাণ, থল-জল-আকাশত নানা যান-বাহনৰ ধোঁৱা নিৰ্গত আৰু খাদ্য সামগ্ৰী উৎপাদন বৃদ্ধিৰ বাবে কৃত্ৰিম সাৰ আৰু কীটনাশকৰ ঔষধ প্ৰয়োগ ইত্যাদি ইত্যাদি কাৰণত বৰ্তমান বিশ্বখন এক গছ-গছনি বিহীন মৰু-সদৃশ ভাৰসাম্যহীন প্ৰাকৃতিক বলয়ত পৰিণত হৈছে ; যাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰাৰ বাবে বা বিভিন্ন কাৰণত অসংখ্য যুৱক বা যুৱতীৰ মস্তিষ্কৰ ত্ৰুটিৰ বাবে যুৱ-চামে উদ্ভুত আচৰণ (Absurd) আৰু বি-সদৃশ্য আচৰণ যেনে, Behaviral disorder, Mental disorder, Socio-path or Psychopath, Anxiety disorder, Bipolar disorder, Depression, Sexual Sadism, Psychotic disorder, Psychological disorder, Psychosomatic disorder, Post-Traumatic Stress Disorder ( PTSD) Schizophrenia, Eating disorder, Disruptive behaviour and dissocial disorders, Neurodevelopmental disorders etc.আদি দুৰাৰোগ্য মানসিক ৰোগত আক্ৰান্ত হৈ নানা ধ্বংসাত্মক কাৰ্য বা অপৰাধ জগতত প্ৰৱেশ কৰি চৰম উচ্ছৃংখল হৈ পৰিছে।

**নাছিৰ আহমেদ, শিমলাবাৰী, গোৱালপাৰা**

# বিহংগম দৃষ্টিত বিহু

অসমীয়া লোকসাহিত্যৰ এক অমূল্য সম্পদ। অসমৰ চহা জীৱনৰ আবেগ অনুভূতিৰ স্বত:স্ফূৰ্ত প্ৰকাশ, কাব্যিক সুষমা, অসমৰ জনজীৱনৰ প্ৰতিচ্ছবি, ভাষাৰ লালিত্য আদিয়ে বিহু গীত সমূহত এক অনন্য মাত্ৰা প্ৰদান কৰিছে। প্ৰেমৰ বিচিত্ৰ ভাৱ অনুভূতি বিহুগীতৰ মূল সম্পদ। এই গীতবোৰৰ লয়, তাল, সুৰ আৰু ভাষা অতি সহজ সৰল, মনোমোহা, আৰু মানুহৰ মনত শিহৰণ যোগাব পৰা। ইয়াৰ প্ৰকাশভঙ্গীও অতি সাৱলীল। বিহুচ্চগীতত অসমৰ সামাজিক, আৰ্থিক, সাংস্কৃতিক, ভৌগলিক আদি দিশ সমূহকো প্ৰতিফলিত কৰে। বিহুগীত সমূহে সমাজৰ সৰ্বস্তৰৰ মানুহৰ হৃদয় চুই যাব পাৰে। বিভিন্ন ৰসৰ সমাহাৰেৰে বিহুগীত সমূহ হৈ উঠিছে অনন্য। শৃংগাৰ ৰস, কৰুণ ৰস, হাস্যৰস, এই সকলোবোৰে বিহুগীত সমূহক সোণত সুৱগা কৰি তুলিছে। কাব্যিক সৌন্দৰ্যৰ ফালৰ পৰাও বিহুগীত সমূহ উন্নত মানৰ। বিহুগীত সমূহেই অসমীয়া লোক সাহিত্যক প্ৰাণৱন্ত কৰি ৰাখিছে। বিহুগীতৰ জৰিয়তেই ডেকাবোৰে কল্পনা কৰে গাভৰুৰ সান্নিধ্য -

"হাঁহে হৈ পৰিমগৈ তোমাৰে পুখুৰীত
পাৰ হৈ পৰিমগৈ ছালত,
ঘামে হৈ সুমামগৈ তোমাৰে শৰীৰত
মাখি হৈ চুমা দিম গালত"

আনহাতে প্ৰকৃতিৰ লগতে গাভৰু মনবোৰো হৈ পৰে প্ৰেম বিৰহিনী। তাৰে প্ৰতিফলন ঘটে এইফাঁকি গীতত-

"ঘৰতো ন'বহে মনে সমনীয়া
পথাৰতো নবহে মন
কমোৰা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।"

বসন্তৰ সান্নিধ্যত কমোৰা তুলাৰ দৰে উৰিবলৈ মন যোৱা বতৰত ডেকা গাভৰুৰ মন চেনাইক কাষত পাবলৈ উদগ্ৰীৱ হৈ পৰে

"ঢোলৰ মাতে বলীয়া কৰে মোক চেনাইটি
বাঁহীৰ মাতে বলীয়া কৰে
পেঁপাৰ মাত শুনিলে ৰ'ব মই নোৱাৰোঁ
ঘনাই তোলৈ মনতে পৰে।"

বিহুগীত সমূহত উল্লেখ থকা বিভিন্ন বনৌষধি যেনে দীঘলতি, মাখিয়তী, বিহলঙনী, হালধী, মাটিমাহ জেতুকা আদিৰ ব্যৱহাৰে অসমীয়া সমাজত বনৌষধিৰ প্ৰতি থকা সচেতনতাৰ কথাই প্ৰকাশ পাইছে। এই বিহু গীত আৰু বিহুনৃত্য সমূহ পৰিশীলিত ৰূপত পৰিৱেশন কৰিলেহে কুলি কেতেকীৰ শুৱলা মাতে নতুন প্ৰজন্মক চহকী কৰিব, ব'হাগৰ বৰষুণে তেওঁলোকক জীপাল কৰি তুলিব।

আগলৈ...

# বহাগ বিহুৰ মাদকতা

**বিশ্বজিৎ বৈশ্য,বংশৰ,শুৱালকুছি**



চাওতে চাওতে লৰা-লৰিকৈ আকৌ আহি পালেহি হেপাহৰ ৰঙালী বিহুটি। কুলিৰ শুৱলা মাতত প্ৰকৃতিয়ে দিয়ে বিনন্দীয়া সৌন্দৰ্য, গছ লতিকায়ো বসন সলাই আনে ৰঙালীৰ ৰঙীন সেই মুহূৰ্তৰ আনন্দৰে ভৰা পৃথিৱীৰ অন্য এক নান্দনিক দৃশ্য। কপৌ ফুলৰ সুগন্ধৰ বতাহ, মহৰ শিংৰ পেপা আৰু ঢোলৰ শব্দই আনে ৰঙালীক আদৰাৰ মাদকতা। এনে এক সন্ধিক্ষণত ডেকা-বুঢ়া সকলোৰে প্ৰাণ আনন্দতে নাচি উঠে নাচি উঠে চৌপাশৰ আকাশ বতাহ। ৰঙালী বিহু। নামেই যাৰ পৰিচয়। সচাকৈ ৰঙালীৰ ৰঙেৰে জীপাল এতিয়া অসমৰ আকাশ বতাহ। ৰঙালী বিহুৰ প্ৰথম দিনটোৰেই হৈছে গৰু বিহু। সিদিনা আমাৰ গো লক্ষ্মীক নোৱাই ধুৱাই লাউ বেঙেনা খুৱাই গধুলি ন পঘাৰে বন্ধা নিয়ম অতীজৰে পৰা চলি আহিছে। দ্বিতীয় দিনা মানুহ বিহু। সিদিনা সৰুৱে ডাঙৰক সেৱা কৰে আৰু নতুন বছৰৰ আৰম্ভণি স্বৰূপে বিহুৱান দিয়ে। তৃতীয় দিনা হৈছে গোসাঁই বিহু । সিদিনা ঠাই বিশেষে কৃষ্ণ ভগৱানৰ সুৱৰী উৎসৱ পালন কৰা হয়।

# অসমীয়া জনজীৱন প্ৰতিফলিত হোৱা ৰঙালী বিহু আৰু ৰাইজৰ সামাজিক দায়বদ্ধতা...

মানসী মিশ্ৰ



আমাৰ পদুলিৰ সমুখত অসমীয়া জাতিৰ হৃদস্পন্দন, হিয়াৰ আমঠু ৰঙালী বিহু। ৰাজ্যবাসীয়ে পূৰ্ণপ্ৰস্তুতিৰে আদৰিবলৈ সাজু হৈছে হেঁপাহৰ ৰঙালী বিহুটিক। ফাগুনৰ চঞ্চলা বতাহজাক, শিমলু-পলাশৰ দগমগীয়া ৰঙবোৰেই প্ৰতিজন অসমীয়াৰ অন্তৰত আগতীয়াকৈ সিঁচি দিছে ব'হাগ অহাৰ বাতৰি। লওঠা শীতে প্ৰকৃতিৰ শোভা, সুষমাবোৰে টানি আজুৰি লৈ যোৱাৰ পিছত বসন্তৰ কুঁহিপাতবোৰে গছৰ ডালে-পাতে, পৰ্বতে পাহাৰে সকলোতে সিঁচি দিয়ে সেউজ সুন্দৰতা। সুদূৰৰ পৰা গছৰডালত বহি মতা কুলিৰ মাতে আমাক প্ৰত্যেককে দিছে ব'হাগ অহাৰ বাতৰি। প্ৰকৃতিৰ এই অপৰূপ পৰিবৰ্তনৰ মাজেদি আমাৰ ৰাজ্যৰ ভিন্ন প্ৰান্তত থকা জাতি জনগোষ্ঠীৰ প্ৰতিজন লোকৰ মন আনন্দত থৌকি বাথৌ। বিহু অসমৰ প্ৰতিটো জাতি-জনজাতিৰে হৃদস্পন্দন। এই প্ৰতিটো জাতি জনগোষ্ঠী মূলত কৃষিজীৱি। এই কৃষিজীৱি সমাজে কৃষিকাৰ্য্য শুভাৰাম্ভ কৰাৰ আগমুহূৰ্তৰ পৰাই ই পথাৰৰ লখিমীক নিজৰ গৃহলৈ আদৰি অনাৰ পিছলৈকে বেলেগ বেলেগ মুহূৰ্তত বিহু-পালন কৰি আহিছে। বিহুৰ লগত অসমীয়া জনজীৱনৰ এক এৰাব নোৱাৰা আত্মিক সম্পৰ্ক আৰু এয়া বহুযুগ ধৰি অব্যাহত আছে। এক কথাত ক'বলৈ গ'লে লুইতৰ পানী যিমান দিনলৈ প্ৰবাহিত হৈ থাকিব, তেতিয়ালৈকে অসমীয়াই উলাহ-উদ্দীপনাৰে বিহুক জীয়াই ৰাখিব। অসমত থকা বড়ো, ৰাভা, মিছিং, দেউৰী, ডিমাছা, মৰাণ সকলোৱে নিজস্ব বাৰেৰহণীয়া শৈলীৰে বিহু উছৱ পালন কৰে। সময়ৰ লগে লগে বিহুত কিছু পৰিবৰ্তন হৈছে। সমাজ আৰু সভ্যতাৰ পৰিবৰ্তনৰ লগে লগে কিছু নতুনত্বৰ সংযোজন হৈছে। এটা জাতিৰ ক্ৰমবিকাশৰ লগে লগে সেই জাতিটোৰ লগত সাঙোৰ খাই থকা লোক-সংস্কৃতি, পৰম্পৰা সমূহৰ কিছু পৰিবৰ্তন ঘটেই কিন্তু ইয়াৰ মাজতেই তেওঁলোকৰ জীৱন আৰু জীৱিকাৰ লগত অংগাংগী সম্পৰ্ক থকা বিহু উছৱক জীয়াই ৰখাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। নগৰীয়া জীৱন যাত্ৰাত মানুহৰ জীৱন ধাৰণৰ শৈলীয়ে উৎসৱ পাৰ্বণসমূহত কিছু নতুনত্ব আৰু আধুনিকতাৰ সংযোজন কৰিছে। কিন্তু গ্ৰাম্যবাসী কৃষকসমাজে বিহু উৎসৱৰ স্বকীয়তা বজাই ৰাখিবলৈ বহুখিনি চেষ্টা অব্যাহত ৰাখিছে। বিহু সম্পূৰ্ণৰূপে এক কৃষি ভিত্তিক উৎসৱ। মাটিৰ সম্পৰ্ক, পথাৰৰ সম্পৰ্ক বিহুৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সেউজীয়া শইচৰে জীপাল হৈ থকা পথাৰখনতেই মানুহে বিচাৰি পায় জীৱনৰ ছন্দ। কলাগুৰু বিষ্ণুৰাভাই কৈ গৈছে বিহু এক কৃষিভিত্তিক ঋতুকালীন উৎসৱ। আমাৰ ৰাজ্যখনৰ অৰ্ধেক সংখ্যক মানুহেই প্ৰত্যক্ষভাৱে কৃষি কৰ্মৰ লগত জড়িত। শ্ৰমজীৱি কৃষকে তেওঁলোকৰ দুহাতেৰে নাঙল-যুঁৱলি হাতত লৈ পথাৰৰ চৌপাশে সোণগুটি শইচৰে ভৰাই তোলে। এই কৃষিকৰ্মত শুভাৰম্ভ কৰাৰ আগে আগে চ'ত, ব'হাগ মাহৰ সংক্ৰান্তিত অসমৰ এইসকল লোকে ব'হাগ বিহু অথবা ৰঙালী বিহু উদ্‌যাপন কৰে। আনন্দ হেঁপাহেৰে ৰঙালী বিহুৰ দিনা কেইটা ৰং আনন্দৰে কটাই এক সজীৱ মন লৈ কৃষিজীৱি সমাজে কৃষিকাৰ্য্যৰ শুভাৰম্ভ কৰে। তেওঁলোকৰ সকলোৰে আশা যে পথাৰখন সোণগুটি শইচৰে ভৰি পৰক আৰু ৰাইজে মনৰ জোখাৰে দুবেলা দুমুঠি পেটভৰাই খাবলৈ পাওঁক। সময়ৰ লগে লগে পথাৰৰ বিহু, গছৰ তলৰ ৰঙালী বিহু মঞ্চলৈ আহিল। গাঁৱে ভূঞে, চহৰৰ প্ৰান্তে প্ৰান্তে বিভিন্ন বিভিন্ন কাৰ্য্যসূচীৰে মঞ্চ বিহু অনুষ্ঠিত হয়। বৰ্তমানৰ দিনসমূহত সময় আৰু প্ৰযুক্তিৰ দ্ৰুত অগ্ৰগতিয়ে ঘৰতে বহি টি.ভি.ৰ পৰ্দাতেই মঞ্চ বিহুৰ কাৰ্য্যসূচীসমূহ উপভোগ কৰিব পৰা হৈছে।

ৰঙালী বিহুটি যিহেতু বৰ্তমানৰ সময়ত সম্পূৰ্ণ আনুষ্ঠানিকভাৱে পালন কৰা হয়, সেই দৃষ্টিকোণৰ পৰা এই বিহু উৎসৱৰ আয়োজনৰ লগত এটা বিশাল গণ সমষ্টি জড়িত হৈ থাকে। উদাহৰণ স্বৰূপে বিহু সমিতিৰ পৰা, স্থানীয় জনসাধাৰণ, বিভিন্ন দিশৰ শিল্পী কলা-কুশলী, দৰ্শক শ্ৰোতা এই সকলো ব্যক্তিৰে বিহু অনুষ্ঠানটি আৰম্ভ হোৱাৰ পৰা শেষলৈকে এক সামাজিক দায়বদ্ধতা জড়িত হৈ থাকে। ৰাইজৰ মাজৰ পৰা গঠিত আৰু বাচনিপ্ৰাপ্ত সমিতিয়ে যিদৰে এক সুন্দৰ পৰিকল্পনা প্ৰস্তুত কৰিব পাৰিলেহে সমগ্ৰ উছৱৰ কাৰ্য্যসূচীসমূহ সুশৃংখলিতভাৱে আয়োজিত হ'ব পাৰিব, ঠিক তেনেদৰে এই অনুষ্ঠানৰ যোগেদি ৰাইজক আমোদ দিবলৈ আমন্ত্ৰিত বিভিন্ন দিশৰ শিল্পীসকলে এক সুৰুচি সম্পন্ন আৰু মাৰ্জিত অনুষ্ঠান পৰিবেশৰ যোগেদি অনুষ্ঠানটো শান্তিপূৰ্ণভাৱে পৰিচালিত হোৱাত সহায় কৰে। একেদৰেই উপস্থিত ৰাইজ তথা শ্ৰোতা দৰ্শকসকলৰ শান্তিপূৰ্ণ সহযোগিতাৰ মাধ্যমেৰে এনেধৰণৰ অনুষ্ঠানটো সম্পূৰ্ণভাৱে সফল হ'ব পাৰে। মানুহে দৈনন্দিন কৰ্মব্যস্ত জীৱনত সদায় এক ৰুটিনৰ ভিতৰতে সীমাবদ্ধ থাকি যি জীৱন অতিবাহিত কৰিবলগীয়া হয়, তাৰ মাজতেই সময়ে সময়ে আহি থকা উৎসৱ-পাৰ্বণৰ জৰিয়তে ৰং আৰু হাঁহি-ধেমালিৰ ভাগ লবলৈ বিচাৰে আৰু এয়াই সময়ে সময়ে মানুহক যোগান ধৰে মানসিক আনন্দ আৰু সজীৱতা। গতিকে এনে এটি আনন্দৰ উৎসৱ ৰঙালী বিহুটি কিদৰে শান্তি আৰু সুশৃঙ্খলতাৰে অতিবাহিত হোৱাৰ ক্ষেত্ৰত ৰাইজৰ যেনেদৰে গুৰুদায়িত্ব আছে, ঠিক একেদৰেই ইয়াত অংশগ্ৰহণ কৰা শিল্পীসকলেও সমানেই দায়িত্ব পালন কৰিবলগীয়া আছে। বিশেষকৈ আজি কিছুবছৰ ধৰি ৰঙালী বিহু পালনৰ নামত কেতবোৰ নেতিবাচক কাৰক বা প্ৰভাৱ আমি ইয়াৰ পৰা বাদ দিয়াটো খুবেই জৰুৰী হৈ পৰিছে। উদাহৰণস্বৰূপে প্ৰতিখন মঞ্চ বিহুৰ আয়োজন কৰাৰ সময়ত বিহু কমিটিৰ উদ্যোক্তাসকলে ৰাইজৰ পৰা বিশেষকৈ স্থানীয় ৰাইজ আৰু নেতৃস্থানীয় লোকসকলৰ পৰা দান বৰঙণি আৰু বিহুৰ চান্দা সংগ্ৰহ কৰাটো বিহু সমিতিৰ উদ্যোক্তাসকলে এক অপৰিহাৰ্য্য কাম বুলি বিবেচনা কৰে। বিহু অসমীয়াৰ বাপতি সাহোন। অসমীয়াৰ হৃদয়ৰ কোঁহে কোঁহে ৰঙালী বিহুটিৰ প্ৰতি অসীম প্ৰীতি আৰু ভালপোৱা সঞ্চিত হৈ আছে। সেয়েহে সকলো স্থানীয় ৰাইজে হেঁপাহৰ ৰঙালী বিহুটিৰ লগত সংগতি ৰাখি আয়োজন কৰা বিহু অনুষ্ঠানটিলৈ নিজৰ সামৰ্থ্য অনুযায়ী চান্দা দিবলৈ, কিছু বৰঙণি আগবঢ়াবলৈ অকণো কুণ্ঠাবোধ নকৰে। ইয়াৰোপৰি বহু নেতৃস্থানীয় লোকে নিজৰ ইচ্ছানুযায়ী দান বৰঙণি আগবঢ়ায় যাতে আৰ্থিক সংকট নোহোৱাকৈ অনুষ্ঠানটো সুকলমে পাৰ হ'ব পাৰে। এইখিনিলৈকে মানুহৰ ওজৰ আপত্তি কৰিবলগীয়া কথা নাথাকে। কিন্তু কিছু বছৰৰ পৰা অসমৰ বিভিন্ন স্থানত এইটো প্ৰত্যক্ষ কৰা দেখা গৈছে যে বিহুৰ কাৰ্যসূচীৰ বাবে বৰঙণি সংগ্ৰহৰ প্ৰক্ৰিয়া বিহু অহাৰ কেইবামাহো আগৰপৰাই আৰম্ভ হয় আৰু বিহুৰ দিনকেইটাতো চলি থাকে। আনকি চান্দাৰ নামত বহুত জোৰ-জুলুম কৰাও পৰিলক্ষিত হয়। ৰাজহুৱা ৰাস্তাত চেঙেলীয়া ল'ৰাই বাট- আগচি ধৰি বিহুৰ নামত বৰঙণি সংগ্ৰহ কৰা কথাটো এতিয়া সকলোৰে বাবে পৰিচিত বিষয় হৈ পৰিছে। আনকি তেওঁলোকে দাবী কৰামতে ধন দিবলৈ অমান্তি হ'লে গাড়ীৰ যাত্ৰীসকলৰ প্ৰতি কথা কটুমন্তব্যই বহু সময়ত ৰাইজক বাৰুকৈয়ে অতিষ্ঠ কৰে।

আমাৰ জাতীয় সংস্কৃতি, বাপতি সাহোন ৰঙালী বিহু উৎসৱ পালনৰ নামত জোৰ-জুলুম কৰি চান্দা সংগ্ৰহ কৰাৰ এই নেতিবাচক চিন্তাধাৰা বৰ্তমানৰ অসমীয়াই পৰিহাৰ কৰিব লাগে। আন এটি গুৰুত্বপূৰ্ণ দিশ হ'ল যে ল'ৰালিৰ দিনৰ পৰাই প্ৰতিজন ব্যক্তিয়ে শুনি আহিছে, জানি আহিছে যে চ'ত আৰু ব'হাগ মাহৰ সংক্ৰান্তিত ব'হাগ বিহুৰ শুভাৰাম্ভ হয় আৰু ভিন ভিন নামেৰে এই বিহু সাত দিন ব্যাপি চলে। অৱশ্যে ব'হাগৰ মাহটোতেই প্ৰকৃতিৰ নতুন ৰূপত এক বিনন্দীয়া পৰিবেশৰ মাজত সমগ্ৰ ব'হাগ মাহটোতেই অসমীয়াৰ হৃদয় ৰঙালী বিহুৰ ৰঙেৰে ভৰি থাকে। কিন্তু আজি প্ৰায় এটা দশক জুৰি দেখা গৈছে যে আমাৰ ৰাজ্যখনত ৰঙালী বিহুৰ এই আয়োজন অৰ্থাৎ মঞ্চ বিহু ব'হাগ বিহুৰ প্ৰথম দিনটোৰ পৰা জেঠ মাহৰ শেষলৈকে অথবা আহাৰ মাহৰ প্ৰথমছোৱা সময়লৈ অবিৰতভাৱে চলি থাকে। আমি যদি একোগৰাকী সচেতন ব্যক্তি হিচাপে এই বিষয়টো গভীৰতাৰে বিশ্লেষণ কৰি চাওঁ তেন্তে অসমৰ নিচিনা উন্নয়নশীল তথা অৰ্থনৈতিকভাৱে পিছপৰা ৰাজ্য এখনত সংস্কৃতি ৰক্ষাৰ নামত বিহুৰ সাংস্কৃতিক কাৰ্যসূচী পালন কৰি কোটি কোটি টকা অপচয় কৰাৰ যুক্তি-যুক্ততা কিমান আছে সেয়া অত্যন্ত চিন্তা কৰিবলগীয়া বিষয়। বিহুৰ সাংস্কৃতিক কাৰ্যসূচী পালন কৰিবলৈ সমগ্ৰ ব'হাগ মাহটোৱে আমাৰ বাবে যথেষ্ট নহয় জানো? ইয়াৰ লগতে সাঙোৰ খাই থকা আন এটি দিশ হৈছে যে সৰহভাগ বিহুতলীতেই বিহুৰ সাংস্কৃতিক কাৰ্য্যসূচী আগদিনা সন্ধিয়া পাঁচ বজাত আৰম্ভ হৈ পুৱতি নিশা পাঁচ বজালৈকে চলে। আমাৰ ৰাজ্যখনেই হয়তো একমাত্ৰ ৰাজ্য য'ত গোটেই নিশা পাৰ কৰি পুৱতি নিশালৈ অথবা ৰাতি পুৱালৈ সাংস্কৃতিক কাৰ্যসূচী চলে। গভীৰ নিশাৰ সুযোগ লৈ এচাম সুযোগ সন্ধানী শ্ৰোতাদৰ্শকে অত্যাধিক সুৰা পাণ কৰি বিহুমঞ্চ স্থলীতেই এক অপ্ৰীতিকৰ পৰিবেশৰ সৃষ্টি কৰে, কাজিয়া পেচালো সৃষ্টি হয়। ইয়াৰ লগতে মঞ্চত অনুষ্ঠান পৰিবেশন কৰি থকা শিল্পীসকলৰ প্ৰতি নানা অশ্ৰাব্য আৰু কটু মন্তব্য দিয়া প্ৰায়েই শুনা যায়। সমগ্ৰ নিশা উজাগৰে থাকি পুৱতি নিশা অনুষ্ঠান শেষ হোৱাৰ পিছত গাড়ী চলাই গৃহাভিমুখে ওভোতাৰ পথত বহুতো গুৰুতৰ পথ দুৰ্ঘটনা হোৱাৰ উদাহৰণ ইতিমধ্যে আমাৰ ৰাজ্যখনত অলেখ আছে। বহুতো শিল্পী কলা-কুশলীয়ে এনে পথ দুৰ্ঘটনাত পতিত হৈ অকালতে আঁতৰি যাবলগীয়া হৈছে। এই সমূহ দুৰ্ভাগ্যজনক ঘটনাই অসমৰ সাংস্কৃতিক জগতখনলৈ অন্ধকাৰহে নমাই আনে। সেইবাবে প্ৰত্যেকখন বিহু সমিতিয়ে যাতে সময়ৰ কথাটোলৈ মনত ৰাখি, সকলো সুবিধালৈ লক্ষ্য ৰাখি নিৰ্দিষ্ট সময়ত কাৰ্য্যসূচী শেষ কৰে, এই কথাটোত যথেষ্ট গুৰুত্ব দিব লাগে। এই বিষয়টোত অনুষ্ঠান পৰিবেশন কৰা শিল্পী, কলা-কুশলীসকলেও সহযোগিতা আগবঢ়াব লাগে। আমি আমাৰ প্ৰাণৰ সত্বা ৰঙালী বিহুটোত সাঙোৰ খাই পৰা নেতিবাচক দিশসমূহ আঁতৰ কৰিবলৈ আগ্ৰহেৰে আগবাঢ়ি আহিব লাগে। আমি সকলোৱে জানোঁ যে ব'হাগ কেৱল এটি ঋতু নহয়, মাথোন এটি মাহ নহয়, ব'হাগ অসমীয়া জনজীৱনৰ সত্বা। ইয়াত প্ৰতিগৰাকী অসমীয়াৰ আবেগ, অনুভূতি সাঙোৰ খাই আছে। অসম জ্যোতি প্ৰসাদ, বিষ্ণুৰাভা, ফনী শৰ্মাৰ দেশ ড° ভূপেন হাজৰিকাৰ দেশ। সেইবাবে প্ৰতিজন অসমীয়াই সংস্কৃতিৰ নামত সোমাই পৰা অপসংস্কৃতিসমূহ আঁতৰাই সংস্কৃতিৰ নিভাঁজ উপাদান সমূহেৰে অসমীয়া জাতিক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত আমাৰ প্ৰতিজন ব্যক্তিৰে সামাজিক দায়বদ্ধতা জড়িত হৈ আছে।

# দেশৰ ভিতৰতে দ্ৰুত বিকশিত

৪, ৯৩, ১৬৭ কোটি টকাৰ বিপৰীতে জনমূৰি আয় ১, ১৯, ১৯২ টকালৈ বৃদ্ধি পায়। ২০২৩-২৪ বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৫, ৭০, ৯৪৪ কোটি টকাৰ বিপৰীতে জনমূৰি আয় ১, ৩৯, ৭৮৩ টকালৈ বৃদ্ধি পায়। ২০২৪-২৫ বৰ্ষত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ৬, ৪৩, ৬৬৭ কোটি টকাৰ বিপৰীতে জনমূৰি আয় ১, ৫৪, ২২২ টকালৈ বৃদ্ধি পায়। এই সময়ছোৱাত ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন বৃদ্ধিৰ তুলনাত অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন লক্ষণীয়ভাৱে বৃদ্ধি পোৱাটো তাৎপৰ্যপূৰ্ণ। আনহাতে, মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন অনুপাতে গ্ৰহণ কৰা ঋণৰ হাৰৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে আটাইতকৈ তলত থকা ৰাজ্যসমূহৰ ভিতৰত অসম। ২০২৩-২৪ বিত্তীয় বৰ্ষত অসমতকৈ দেশৰ ১৮খন ৰাজ্যই মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন অনুপাতে ঋণ গ্ৰহণৰ তালিকাত উচ্চ স্থানত আছে। অসমতকৈ অধিক ঋণ গ্ৰহণ কৰি উচ্চ স্থানত থকা ৰাজ্যসমূহ হৈছে- পঞ্জাৱ, হিমাচল প্ৰদেশ, অৰুণাচল প্ৰদেশ, মণিপুৰ, পশ্চিমবংগ, কেৰালা, নাগালেণ্ড, ৰাজস্থান, মেঘালয়, বিহাৰ অন্ধ্ৰপ্ৰদেশ, ছিকিম, মিজোৰাম, উত্তৰ প্ৰদেশ, ত্ৰিপুৰা, হাৰিয়ানা, তামিলনাডু আৰু মধ্যপ্ৰদেশ।

# সুৰাৰ বিপনী খোলা ৰখাৰ সময়

জিলা প্ৰশাসনে দেশীয় সুৰাৰ বিপণীসমূহক বিলাতী সুৰা বিক্ৰীৰ অনুমতি প্ৰদান কৰিব। আনহাতে, আবকাৰী বিভাগে নিৰ্দিষ্ট কেতবোৰ ব্ৰেণ্ডৰ বিয়েৰ, সুৰাৰ দামো হ্ৰাস কৰিছে। বিদেশৰ পৰা অহা ৬৫০ মিলিলিটাৰৰ বিয়েৰৰ একোটা বটলৰ ক্ষেত্ৰত কমেও ৯ টকা দাম হ্ৰাস পাব। সেইদৰে বিদেশৰ পৰা অহা সুৰা, যাৰ ৭৫০ মিলিলিটাৰৰ বটল এটাৰ দাম তিনি হাজাৰৰ অধিক টকা, তেনে বটলত ১৭৫ টকা পৰ্যন্ত হ্ৰাস পাব। একেদৰে তিনি হাজাৰ টকাৰ পৰা ৫ হাজাৰ টকা দামৰ ৭৫০ মিলিলিটাৰৰ বটল এটাত ১৯০ টকা পৰ্যন্ত দাম হ্ৰাস পাব। অনুৰূপ ধৰণে ৫ হাজাৰ টকাৰ অধিক তথা ১০ হাজাৰ টকাৰ কম দামৰ ৭৫০ মিলিলিটাৰৰ বটল এটাৰ ক্ষেত্ৰত দাম ২২০ টকা পৰ্যন্ত হ্ৰাস পাব। ১০ হাজাৰ টকাতকৈ অধিক দামৰ ৭৫০ মিলিলিটাৰৰ বটল এটাৰ দাম কমেও ৩২০ টকা হ্ৰাস পাব। বিদেশৰ পৰা অহা ৱাইনৰ ক্ষেত্ৰত ৭৫০ মিলিলিটাৰৰ বটল এটাৰ দাম ৩৫ টকা পৰ্যন্ত হ্ৰাস পাব। অৱশ্যে দামৰ ক্ষেত্ৰত নিৰ্ধাৰণ কৰা এই নতুন নিৰিখ অহা ১ মে'ৰ পৰা কাৰ্যকৰী হ'ব বুলি আবকাৰী বিভাগে ৰাজপত্ৰিত জাননীখনত উল্লেখ কৰিছে। আবকাৰী বিভাগৰ এই সিদ্ধান্তৰ ক্ষেত্ৰত ৰাইজৰ আপত্তি থাকিলে জিলা উপায়ুক্তৰ ওচৰত অভিযোগ দাখিল কৰিব পাৰিব । ১৫ দিনৰ ভিতৰত ওজৰ-আপত্তি উপায়ুক্তৰ ওচৰত দাখিল কৰিব লাগিব । লাভ কৰাৰ ওজৰ-আপত্তিৰ ক্ষেত্ৰত জিলা উপায়ুক্তই তদন্ত কৰিব । অহা ১৫ দিনৰ ভিতৰত যদি কোনো ওজৰ-আপত্তি নাথাকে, তেন্তে এই সিদ্ধান্ত কাৰ্যকৰী হ'ব বুলি জানিব পৰা গৈছে ।

# ইছৰোৰ অধ্যক্ষ ড° ভি নাৰায়নৰ

অবৈধভাৱে অসমত প্ৰৱেশ কৰিব বিচাৰিলে তাৰ তথ্য প্ৰদান কৰিব। তদুপৰি সম্ভাব্য বানপানীৰ আগতীয়া তথ্য তথা খেতিয়কক লাভান্বিত কৰিব পৰাকৈ বতৰৰো আগজাননী দিব পাৰিব। আনহাতে, চন্দ্ৰপুৰত ইছৰোৱে স্থাপন কৰিবলগীয়া মহাকাশ নিৰীক্ষণ কেন্দ্ৰক লৈও ইছৰোৰ অধ্যক্ষগৰাকীৰ সৈতে তেওঁ আলোচনা কৰা বুলি সাংবাদিকক জানিবলৈ দি কয় যে উক্ত প্ৰকল্পটোৰ বাবে অহা বছৰ জানুৱাৰী মাহত ৰাডাৰ স্থাপন কৰা হ'ব বুলি ইছৰোৰ অধ্যক্ষগৰাকীয়ে আমাৰ আগত প্ৰকাশ কৰিছে। ইছৰোৰ অধ্যক্ষজনৰ সৈতে হোৱা বৈঠকৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগমৰ পৰিচালন সঞ্চালক ড° কৃষণ কুমাৰ আৰু কেন্দ্ৰীয় সাৰ মন্ত্ৰালয়ৰ সচিব ৰজত কুমাৰ মিশ্ৰই সাক্ষাৎ কৰে। ড° কৃষণ কুমাৰৰ সৈতে মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যৰ নিৰ্মীয়মাণ ঘাইপথ প্ৰকল্পসমূহক লৈ আলোচনা কৰে। আলোচনাৰ পাছত মুখ্যমন্ত্ৰী ড° শৰ্মাই সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে, তেওঁ এন এইচ আই ডি চি এলৰ পৰিচালন সঞ্চালকজনক ৰাজ্যৰ কেইবাটাও নিৰ্মীয়মাণ প্ৰকল্পৰ কাম ত্বৰান্বিত কৰাৰ বাবে অনুৰোধ জনাইছে। ইয়াৰ ভিতৰত ধুবুৰী-ফুলবাৰী সংযোগী ১৯.২৮ কিলোমিটাৰ ব্যাপী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মাণ চাৰি লেনযুক্ত দলং, ২৫ হাজাৰ কোটিটকীয়া গুৱাহাটী-শিলচৰ এক্সপ্ৰেছ হাইৱে, নুমলীগড়-গহপুৰ সংযোগী ব্ৰহ্মপুত্ৰৰ তলেৰে নিৰ্মাণ কৰিবলগীয় সুৰংগ, বাইহাটা চাৰিআলিৰ পৰা তেজপুৰ আৰু গহপুৰৰ পৰা কুলাজানলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ সম্প্ৰসাৰণক লৈ বিশেষ আলোচনা হয়। আনহাতে, কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনোৱা নামৰূপ সাৰ কাৰখানাৰ নতুন গোটৰ কাম সময়মতে সম্পন্ন কৰাক লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কেন্দ্ৰীয় সাৰ মন্ত্ৰালয়ৰ সচিব ৰজত কুমাৰ মিশ্ৰৰ সৈতে আলোচনা কৰা বুলিও সাংবাদিকক জানিবলৈ দিয়ে। উল্লেখ্য যে নামৰূপ সাৰ কাৰখানাৰ নতুন গোট স্থাপনত ১০, ৬০১.৪০ কোটি টকা ব্যয় কৰা হ'ব।

# বিশিষ্ট লেখিকা তথা অভিনেত্ৰী

কৰিছে জীৱনজোৰা সাধনা বঁটা। তাৰ উপৰি কল্পদ্ৰুম বঁটা, মাইকেল মধুসূদন বঁটা, এনাজৰী বঁটা, অসম ক্ৰীড়া আৰু সাংস্কৃতিক মহোৎসৱৰ জীৱনজোৰা সাধনা বঁটা, ব্যতিক্ৰমী জীৱনজোৰা সাধনা বঁটাৰে তেওঁ সন্মানিত হৈছে। অসম সাহিত্য সভাৰ ধুবুৰী জিলা সমিতিৰ সভানেত্ৰীৰ আসন শুৱনি কৰা কবিগৰাকীৰ মৃত্যুৰ বাতৰিয়ে ৰাজ্যখনৰ লগতে তেখেতৰ জন্মস্থান বিলাসীপাৰাত শোকৰ ছাঁ পৰে। গুৱাহাটীৰ পৰা নিজ বাসভৱনলৈ অনাৰ পথত বিভিন্ন দল-সংগঠনে কবিগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। চাপৰত প্ৰেছ ক্লাব, শাখা সাহিত্য সভা, দেশী জনগোষ্ঠী পৰিষদৰ প্ৰাক্তন সভাপতি শেখ হেদায়াতুল্লা, ধুবুৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শিক্ষাবিদ তাৰিণীকান্ত ৰায়, ছাজিদ হুছেইন, তিলক প্ৰসাদ, ধীমান দাসকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে সাহিত্যিকগৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। তেনেদৰে বিলাসীপাৰাত অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদকপ্ৰধান ড° উপেন্দ্ৰজিৎ শৰ্মাকে ধৰি কেন্দ্ৰীয় বিষয়ববীয়া উপস্থিত হৈ তেওঁলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। পঁকুল গ্ৰন্থাগাৰ, অৰণ্য সুৰক্ষা সমিতিৰ সচিবপ্ৰধান ড° হৰিচৰণ দাস, বিলাসীপাৰা জিলা নাথ যোগী যুৱ পৰিষদ, যোগী সম্মিলনী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, আছু, বিলাসীপাৰা প্ৰেছ ক্লাব, জ্যোতি সংঘ, জিলা ক্ৰীড়া সন্থাকে ধৰি বিভিন্ন দল-সংগঠনে বৰুৱালৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰে। কবিগৰাকীয়ে মৃত্যুৰ সময়ত চিকিৎসক স্বামী, একমাত্ৰ পুত্ৰ সন্তানৰ লগতে আত্মীয়-স্বজনকে ধৰি অগণন গুণমুগ্ধক ইহসংসাৰত এৰি যায়। উল্লেখ্য যে কেইবাখনো গ্ৰন্থৰে তেওঁ অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে। মৌজোল, হায়েনা, ব্ৰেক আপ এণ্ড কভাৰ আপ আদিৰ দৰে উপন্যাসেৰে তেওঁ পাঠকৰ মাজত সমাদৰ লাভ কৰিছিল। তদুপৰি আইৰ মাতেৰে, নেতাই ধুবুনী দেশৰ কথা, নিৰ্বাচিত কবিতা, ছৈৰ তলৰ অপ্ৰেম, দাহাল খুংগ্ৰি, বনৰ ঈশ্বৰ আদিৰ দৰে গ্ৰন্থৰেও তেওঁ সাহিত্যৰ ভঁৰাল চহকী কৰি গৈছে।

# মুম্বাই আক্ৰমণৰ মূল

দিল্লীলৈ অনাৰ পূৰ্বে 'নিয়া'ৰ মুখ্য কাৰ্যালয় আৰু পাটিয়ালা হাউছ আদালতৰ চৌপাশে নিৰাপত্তা বেষ্টু গঢ়ি তোলা হৈছে। লক্ষণীয়ভাৱে কুখ্যাত ষড়যন্ত্ৰকাৰী তাহাউৰ ৰানাক আমেৰিকাৰ পৰা ভাৰতলৈ প্ৰত্যৰ্পণৰ বিষয়টোক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বৃহৎ কূটনৈতিক সফলতা বুলি অভিহিত কৰিছে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। প্ৰধানমন্ত্ৰী মোদীৰ কূটনৈতিক দক্ষতাৰ বাবে দীৰ্ঘসময়ৰ পিছত ৰানাক ভাৰতলৈ অনাটো সম্ভৱ হৈছে বুলি উল্লেখ কৰে মন্ত্ৰী শ্বাহে। স্মৰ্তব্য যে কুখ্যাত এই সন্ত্ৰাসবাদী তাহাউৰ ৰানাৰ গোচৰৰ তদন্ত চলাব 'নিয়া'ৰ সঞ্চালক প্ৰধান সদানন্দ দাতেৰ নেতৃত্বাধীন উচ্চ পৰ্যায়ৰ এক বিষয়াৰ দলে। ২৬/১১ৰ আক্ৰমণত কুখ্যাত সন্ত্ৰাসবাদী আজমল কাছভৰ গ্ৰেনেড আক্ৰমণৰ পৰা কথমপি ৰক্ষা পৰিছিল সদানন্দ দাতে।

# বেংগালুৰুক ৬

অপৰাজিত হৈ থকাৰ বিপৰীতে ত্ৰিষ্টান ষ্টাবছে ৩৮ ৰান কৰি অপৰাজিত হৈ থাকে। অধিনায়ক অক্ষৰ পেটেলে ১৫ ৰান কৰি বিদায় লয়। দলীয় স্ক'ৰ ৫৮ ৰানতে চাৰিটা উইকেট হেৰুৱাই দলটো বিপদত পৰিছিল যদিও ৰাহুল আৰু ষ্টাবছে পঞ্চম উইকেটত অপৰাজিতভাৱে ১১১ ৰান কৰি দলৰ জয় নিশ্চিত কৰে। আৱচিবিৰ হৈ ভুবনেশ্বৰে সৰ্বাধিক দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত সাতটা উইকেট হেৰুৱাই ১৬৩ ৰান সংগ্ৰহ কৰে। অ'পেনাৰ ফিল ছল্টে ১৭টা বলত ৩৭, টিম ডেভিদে অপৰাজিতভাৱে ৩৭, অধিনায়ক ৰজত পাটিদাৰে ২৫, বিৰাট কোহলিয়ে ২২ আৰু ক্ৰুনাল পাণ্ডিয়াই ১৮ ৰানৰ অৱদান আগবঢ়ায়। দেৱদুত পাডিকাল (১), লিয়াম লিভিংষ্টন (৪) আৰু জিতেশ শৰ্মা (৩) সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। দিল্লীৰ হৈ ভিপৰাজ নিগম আৰু কুলদীপ যাদৱ উভয়ে সৰ্বাধিক দুটাকৈ উইকেট লাভ কৰাৰ লগতে মুকেশ কুমাৰ আৰু মোহিত শৰ্মাই এটাকৈ উইকেট লাভ কৰে।

# পুনৰ অধিনায়কৰ

গাইকোৱাডৰ অনুপস্থিতিত মহেন্দ্ৰ সিং ধোনীয়ে চিএছকেক নেতৃত্ব দিব। ধোনীৰ নেতৃত্বত দলটোৱে উন্নত প্ৰদৰ্শন দাঙি ধৰিব পাৰিব বুলি আশা ব্যক্ত কৰে মুখ্য প্ৰশিক্ষক ফ্লেমিঙে। উল্লেখ্য যে চলিত আইপিএলত চেন্নাই ছুপাৰ কিংছে আশানুৰূপ প্ৰদৰ্শন দাঙি ধৰিব পৰা নাই। দলটোৱে এতিয়ালৈকে পাঁচখন মেচ খেলি এখনত জয় আৰু চাৰিখনত পৰাস্ত হৈ পইন্ট তালিকাৰ নৱম স্থানত আছে।

# ৫০ টকাকৈ বৃদ্ধি পালে

ৰাজধানী দিল্লীত ৮০৩ টকাত ক্ৰয় কৰিবলগীয়া ৰন্ধন গেছৰ চিলিণ্ডাৰ এতিয়াৰে পৰা ৮৫৩ টকাত ক্ৰয় কৰিব লাগিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে এই সিদ্ধান্ত স্থায়ী নহয় আৰু প্ৰতি ২ৰ পৰা ৩ সপ্তাহৰ মূৰে মূৰে পৰ্যালোচনা কৰা হ'ব। মন্ত্ৰীগৰাকীৰ এনে মন্তব্যৰ পাছতে বিভিন্ন মহলে আশংকা কৰিছে যে দুই-তিনি সপ্তাহৰ ভিতৰত পুনৰ ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য বৃদ্ধি পাব পাৰে। ২০২৪ চনৰ মাৰ্চ মাহত নাৰী দিৱসত ৰন্ধন গেছৰ দাম ১০০ টকা হ্ৰাস কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰে। ইয়াৰ পাছত ১৩ মাহ ধৰি ৰন্ধন গেছৰ দাম অপৰিবৰ্তিত লৈ আছিল। এইবাৰ একেলগে ৫০ টকা বৃদ্ধি কৰা হ'ল প্ৰতিটো ঘৰুৱা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ মূল্য। ইয়াৰ ফলত স্বাভাৱিকতে সমস্যাৰ সন্মুখীন হ'ব মধ্যবিত্তসকল।

# প্ৰতিলিটাৰ পেট্ৰ'ল

১০০.৮০ টকা আৰু কলকাতাত ১০৫.০১ টকা। আনহাতে, নতুন দিল্লীত প্ৰতিলিটাৰ ডিজেলৰ মূল্য ৮৭.৬৭ টকা, চেন্নাইত ৯২.৩৯টকা, মুম্বাইত ৯০.০৩ টকা আৰু কলকাতাত ৯১.৮২ টকা।

# তেজপুৰত বিধ্বংসী

বায়েক-ভায়েকক বাহিৰলৈ ওলাবলৈ কয় আৰু লগতে অগ্নি নিৰ্বাপক বাহিনীক খবৰ দিয়ে। কিন্তু ইতিমধ্যেই জুইৰ মাজত আবদ্ধ হৈ পৰিছিল অধিবক্তা শৰ্মা। এনে ভীষণ পৰিস্থিতিৰ মাজত শৰ্মাৰ জ্যেষ্ঠ ভগ্নীক বাহিৰলৈ উলিওৱা হয় যদিও ইতিমধ্যে অগ্নিদগ্ধ হয় অধিবক্তাজন। অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নিৰ্বাপণ কৰে যদিও ইতিমধ্যে অধিবক্তা শৰ্মাৰ মৃত্যু ঘটে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হোৱাৰ লগতে অধিবক্তা শৰ্মাৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়।

# বছৰজোৰা কাৰ্যসূচীৰে পালন

যোৰহাট আৰু বজালীত ৪টা দুগ্ধ সংসাধন গোট কাৰ্যকৰী কৰাৰ বাবে দুগ্ধ উন্নয়ন বিভাগৰ অধীনত এই আন্তঃগাঁথনিসমূহ ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ যৌথ উদ্যোগ উত্তৰ-পূব দুগ্ধ আৰু খাদ্য লিমিটেডক হস্তান্তৰ কৰিবলৈ অনুমোদন জনায়। আনহাতে কেবিনেটে অহা ৮ ছেপ্টেম্বৰৰ পৰা বছৰজোৰা কাৰ্যসূচীৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন সম্পৰ্কত বিস্তৃত আলোচনা কৰি কিছু গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ২০২৫ চনৰ ৮ ছেপ্টেম্বৰৰ পৰা ২০২৬ চনৰ ৮ ছেপ্টেম্বৰলৈ বছৰজোৰা কাৰ্যসূচীৰে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী পালন কৰা হ'ব। অহা ৮ ছেপ্টেম্বৰত হ'বলগীয়া শুভাৰম্ভ অনুষ্ঠান দেশৰ ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰীৰ কৰকমলেৰে আৰম্ভ কৰা হ'ব। সেইদৰে ২০২৬ চনৰ ৮ ছেপ্টেম্বৰত হ'বলগীয়া সামৰণী অনুষ্ঠানটো ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰীৰ উপস্থিতিত সম্পন্ন কৰা হ'ব। আৰম্ভণি অথবা সামৰণিৰ যিকোনো এটা অনুষ্ঠান নতুন দিল্লীত অনুষ্ঠিত হ'ব আৰু এটা অনুষ্ঠান গুৱাহাটীত অনুষ্ঠিত হ'ব। তদুপৰি আন তিনিটা বিশেষ অনুষ্ঠান অৰুণাচল প্ৰদেশ, কলকাতা আৰু মুম্বাইত অনুষ্ঠিত কৰা হ'ব। সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ বাবে অসমৰ মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত আৰু অন্যান্য বিশিষ্ট ব্যক্তিৰ দ্বাৰা ৫০জনীয়া শতবাৰ্ষিকী উদযাপন সমিতি গঠন কৰা হ'ব। উত্তৰ-পূৰ্বাঞ্চলৰ বাকী ৭খন ৰাজ্যৰ মুখ্যমন্ত্ৰীক এই সমিতিত পৃষ্ঠপোষক হিচাপে অংশ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। এই জন্ম শতবাৰ্ষিকীতে ড° ভূপেন হাজৰিকাৰ নামত এটা বিশেষ আন্তঃগাঁথনি বা বিশেষ অনুষ্ঠান উৎসৰ্গিত কৰা হ'ব। এই সম্পৰ্কত ৫০ জনীয়া উদযাপন সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰিব। সেইদৰে ড° ভূপেন হাজৰিকাৰ সংক্ষিপ্ত জীৱনী এখন প্ৰকাশ কৰি ৰাজ্যৰ ১০ লাখ লোকলৈ প্ৰেৰণ কৰা হ'ব। বিশিষ্ট সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীক এই সংক্ষিপ্ত জীৱনী প্ৰণয়নৰ দায়িত্ব দিয়া হৈছে। পৰৱৰ্তী পৰ্যায়ত এই সংক্ষিপ্ত জীৱনীখন ভাৰতৰ সকলো ভাষালৈ অনুবাদ কৰি দেশৰ সকলো পুথিভঁৰাললৈ প্ৰেৰণ কৰা হ'ব। একেদৰে ড° ভূপেন হাজৰিকাৰ জীৱন আৰু কৰ্মৰাজিক লৈ অসমীয়া, ইংৰাজী আৰু হিন্দী ভাষাত এখন তথ্যচিত্ৰ নিৰ্মাণ কৰা হ'ব। ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ সন্মানাৰ্থে এটা স্মৃতি মুদ্ৰা মুকলিৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰিজাৰ্ভ বেংক অৱ ইণ্ডিয়াক অনুৰোধ কৰাৰ বাবেও কেবিনেটে অনুমোদন জনায়। এই বছৰটোত ৰাজ্যখনৰ শিক্ষানুষ্ঠানসমূহত ড° ভূপেন হাজৰিকাৰ গীত আৰু কৰ্মজীৱন সম্পৰ্কত প্ৰচাৰৰো বিশেষ প্ৰচেষ্টা চৰকাৰে হাতত ল'ব।

# নেচনেল হেৰল্ড গোচৰত ছোনিয়া

সম্পত্তি জব্দ কৰাৰ জাননী জাৰি কৰিছে। ইডিয়ে প্ৰকাশ কৰা মতে কংগ্ৰেছ নেতাৰ সৈতে ৯৮৮ কোটি টকাৰ অবৈধ লেনদেন জড়িত হৈ আছে। নেচনেল হেৰল্ড নিউজ পেপাৰ এজেএলৰ দ্বাৰা প্ৰকাশিত হৈছিল। ইডিয়ে চলোৱা তদন্তত এজেএলৰ এই সম্পত্তিৰ সৈতে ১৮৮ কোটি টকাৰ অবৈধ লেনদেনৰ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে ২০২৩ চনৰ নৱেম্বৰত ইডিয়ে দিল্লী, মুম্বাই আৰু লক্ষ্ণৌস্থিত এজেএলৰ ৬৬১ কোটি টকাৰ অস্থাৱৰ সম্পত্তি জব্দ কৰিছিল। ২০২১ চনত ইডিয়ে নেচনেল হেৰল্ড অবৈধ ধনৰ লেনদেন গোচৰৰ তদন্ত আৰম্ভ কৰে। ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু আন জ্যেষ্ঠ কংগ্ৰেছী নেতাই এই গোচৰত জড়িত থকাৰ অভিযোগ তুলি ইডিয়ে তদন্ত আগবঢ়ায়। দিল্লী উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ে বিভিন্ন আইনী প্ৰত্যাহ্বানৰ মাজতো এই গোচৰৰ অনুসন্ধানৰ নিৰ্দেশ দিয়ে। তদন্তৰ সময়ত ইডিয়ে উল্লিখিত গোচৰৰ সৈতে জড়িত বিভিন্ন স্থানত অভিযান চলাই বিত্তীয় অনিয়মৰ তথ্য লাভ কৰে।

# এইবাৰৰ ফলাফল যোৱা বছৰৰ

সকলো উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীলৈ অভিনন্দন জ্ঞাপন কৰি শিক্ষা মন্ত্ৰী ডাঃ পেগুয়ে কয় যে, যিসকল কৃতকাৰ্য হ'ব পৰা নাই সেই সকললৈ আহ্বান তেওঁলোকে দ্বিতীয়বাৰৰ বাবে সফলতা অৰ্জনৰ বাবে চেষ্টা কৰিব। অসম চৰকাৰৰ শিক্ষা বিভাগে তেওঁলোকৰ লগত সহযোগিতা কৰিব। তেওঁ কয়, ফলাফলটোত এটা কথা দেখিছো যে যোৱা বছৰ যেনেকৈ ভাল হৈছিল তাৰ তুলনাত উত্তীৰ্ণ শতকৰা হাৰ নিম্নগামী হৈছে। নিম্নগামী হোৱাৰ ক্ষেত্ৰত অসমৰ কিছুমান বিশেষ জিলা আছে, তাত আমাৰ ফলাফল বেয়া হৈছে। তাৰোপৰি আমি যদি জাতিগত, সম্প্ৰদায় হিচাপে চাওঁ তেনে ক্ষেত্ৰত দেখা পাম যে আমাৰ চাহ জনজাতীয় অঞ্চল, অনুসূচিত জাতি অঞ্চল তেওঁলোকৰ ফলাফলত উত্তীৰ্ণৰ গড় হিচাপে কম। চাহ বাগান অঞ্চল শিক্ষাত পিছপৰা অঞ্চল। সেয়েহে তাত শিক্ষাক আগুৱাই নিয়াৰ বাবে এলানি পদক্ষেপ গ্ৰহন কৰিছে আৰু আমি চাহ বাগিচা মৰ্ডেল স্কুলো প্ৰতিষ্ঠা কৰিছো। এইদৰে মন্ত্ৰীগৰাকীয়ে বহুকেইটা দিশৰ ওপৰত মন্তব্য কৰে।

# ক'ভিড-১৯ৰ পিছত বিগত

টকা অতিক্ৰম কৰি এক নতুন শিখৰত আৰোহণ কৰিব। লগতে অসমক ভাৰতৰ শ্ৰেষ্ঠ ৫ ৰাজ্যৰ অন্যতম হিচাপে আত্মপ্ৰকাশ কৰাতো বিশেষ ভূমিকা গ্ৰহণ কৰিব। মন কৰিবলগীয়া এয়ে যে ২০২৪-২৫ বৰ্ষত জিএছডিপি বিকাশৰ ক্ষেত্ৰত অন্ধ্ৰপ্ৰদেশ, অৰুণাচল প্ৰদেশৰ পিছতে অসমে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। জিডিপিৰ বিকাশৰ ক্ষেত্ৰত অসমৰ তলত থকা ৰাজ্যসমূহ হৈছে-বিহাৰ, ছত্তিশগড়, গোৱা, গুজৰাট, হাৰিয়ানা, হিমাচল প্ৰদেশ, ঝাৰখণ্ড, কৰ্ণাটক, কেৰালা, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড, ওড়িশা, পঞ্জাব, ৰাজস্থান, ছিকিম, তামিলনাডু, তেলেংগানা, ত্ৰিপুৰা, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, চণ্ডীগড়, দিল্লী, জম্মু আৰু কাশ্মীৰ, লাডাখ, পডুচেৰী আদি।

# ঘোষণা হ'ল হাইস্কুল শিক্ষান্ত

ইপিনে, ৰাজ্যৰ ভিতৰত তিনিটা শীৰ্ষ স্থানত প্ৰথম স্থান লাভ কৰিছে যোৰহাটৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী আমিশি শইকীয়াই। তেওঁ মুঠ নম্বৰ লাভ কৰিছে ৫৯১ (৯৮.৫০ শতাংশ)। দ্বিতীয় স্থান লাভ কৰিছে নুনমাটি অসম জাতীয় বিদ্যালয়ৰ ছাত্ৰ সপ্তৰ্ষ বৰদলৈয়ে। তেওঁ মুঠ নম্বৰ লাভ কৰিছে ৫৯০ (৯৮.৩৩ শতাংশ)। তৃতীয় স্থান লাভ কৰিছে যোৰহাটৰ প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ অনিৰ্বান বৰগোহাঁইয়ে। তেওঁ মুঠ নম্বৰ লাভ কৰিছে ৫৮৯(৯৮.১৭ শতাংশ)। উল্লেখ্য যে ৰাজ্যৰ ভিন্ন প্ৰান্তৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হৈছিল এই পৰীক্ষা।

# মাজুলীৰ শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ত বিহু আদৰণি



ৰঙিলী বাৰ্ত্তাসেৱা- মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত নামনি মাজুলীৰ ঐতিহ্য-মণ্ডিত শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ত ৰঙালী বিহু আদৰণী জনোৱা হয়। এই উপলক্ষে বিদ্যালয়খনত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। বিদ্যালয়খনৰ বাকৰিত পুৱা ন'বজাত শ শ ছাত্ৰ-ছাত্ৰীয়ে জাতীয় সাজ-পোছাক পৰিধান কৰি প্ৰথম বিহু আদৰণী কৰে। তাৰপিছত বিদ্যালয়ৰ প্ৰাংগনত "বিহুৱান" উত্তোলন কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দ্ৰ বৰাই। তাৰপিছত ব'হাগী আদৰণী উপলক্ষে প্ৰথমে সকলো ছাত্ৰ-ছাত্ৰী শিক্ষক-শিক্ষয়িত্ৰীয়ে হুঁচৰি পৰিৱেশন কৰে। তাৰপিছত বিদ্যালয়ৰ প্ৰাংগনত সকলোৱে বিহু নাচ, বিহু নাম পৰিৱেশন কৰে । দীৰ্ঘ সময় ধৰি বিদ্যালয়খনত সকলোয়ে বিহু পৰিৱেশন কৰে । বিদ্যালয়খনৰ মিচিং ছাত্ৰ ছাত্ৰীসকলেও মিচিং বিহু প্ৰদৰ্শন কৰি সকলোকে আপ্লুত কৰে। উক্ত, বিহু আদৰণী অনুষ্ঠানত বিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে পীতাম্বৰ দেৱ গোস্বামী মহাবিদ্যালয়ৰ প্ৰৱক্তা যদু কলিতাই অংশগ্ৰহণ কৰি বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বিদ্যালয়ৰ শিক্ষক উৎপল হাজৰিকাই।

# বংশৰৰ পাঠভৱন শিক্ষা ফাউণ্ডেশনৰ প্ৰাক্ বিহু উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- কামৰূপ জিলাৰ অন্তৰ্গত বংশৰত পাঠভৱন শিক্ষা ফাউণ্ডেশনে ১১ এপ্ৰিল শুকুৰবাৰে উদযাপন কৰে প্ৰাক্ বিহু। শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আদি সকলোৱে বিহু নৃত্য পৰিৱেশন কৰি পৰিৱেশ জীপাল কৰি তোলে। কুলিৰ মাতত প্ৰকৃতিৰ ৰং আৰু ঢোলৰ মাতত নাচনীৰ মন যেন এক সুন্দৰ নিদৰ্শন দাঙি ধৰা দেখা গৈছে। তাৰে এক নিদৰ্শন বংশৰ পাঠভৱন শিক্ষা ফাউণ্ডেশন। ছাত্ৰ-ছাত্ৰীক বিহুৰ বাবে আকৰ্ষিত কৰিবলৈ আৰু সাত বিহু সম্পৰ্কে আৰু বিহুৰ লগত জড়িত সামগ্ৰীৰ কি ধৰণে ব্যৱহাৰ কৰে তাৰ ওপৰত বক্তব্য আগবঢ়াই স্কুল পৰিচালিকা পূৰবী শৰ্মাই। ৰঙালী বিহুৰ সময়ত সকলোৰে মন প্ৰাণ ভৰি পৰে তেনে সময়ত পাঠ ভৱন শিক্ষা ফাউণ্ডেশন বংশৰতো উদ্‌যাপন কৰা দেখা গল এক ব্যতিক্ৰমী প্ৰয়াস। লগতে অনুষ্ঠানটোত বহুতো লোক উপস্থিত থাকে।

# ডি এইচ এছ কানৈ

সম্পাদক ড° মৌচুমী হাজৰিকা, কোষাধ্যক্ষ ড° হানিফা ৰহমান, পত্ৰিকা সম্পাদক ড° মনমী বৰুৱা, প্ৰকাশন সচিব অসীম শইকীয়া আৰু সাংস্কৃতিক সম্পাদক বিনী শইকীয়াৰ লগতে ১৫ জনীয়া সদস্যৰে এখন পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়। অনুষ্ঠানটিত উপস্থিত থাকি ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁয়ে কানৈ মহাবিদ্যালয়ৰ নৱগঠিত শাখাটিক অভিনন্দন জ্ঞাপন কৰি শাখাটোৰ উত্তৰোত্তৰ কামনা কৰে। উল্লেখ্য যে ১৯২৬ চনত অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনত সভাপতি পদ অলংকৃত কৰা বেণুধৰ ৰাজখোৱা, ১৯৫৫ চনত গুৱাহাটী অধিৱেশনত সভাপতি পদ অলংকৃত কৰা যতীন্দ্ৰ নাথ দুৱৰা কানৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক আছিল । অসমীয়া ভাষা সাহিত্যৰ চৰ্চাত এই দুজন পুৰোধা ব্যক্তিয়ে যিদৰে অমূল্য অৱদান আগবঢ়াই গৈছে সেইদৰে কানৈ মহাবিদ্যালয়ৰ নৱগঠিত শতদল শাখাটিয়ে ভৱিষ্যতে অসমীয়া সাহিত্য-সংস্কৃতিৰ উত্তৰণত আশাব্যঞ্জক সফলতা দেখুৱাব বুলি এই সভাত নৰ্বনিৰ্বাচিত সভাপতি আৰু সম্পাদকে আশা ব্যক্ত কৰে। মনকৰিবলগীয়া যে কানৈ মহাবিদ্যালয়ৰ মুকলি হোৱা শাখাটিত ১০০ জন সদস্যই আজীৱন সদস্য পদ গ্ৰহণ কৰাৰ বাবে শতদল শাখা ৰূপে স্বীকৃতি লাভ কৰে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যাপক- অধ্যাপিকা, কৰ্মচাৰীৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## ENGLISH NEWS SECTION

# Governor attends 4th convocation of Assam Women's University



Guwahati,RB News- Assam Governor Shri Lakshman Prasad Acharya, attended the 4th Convocation Ceremony of Assam Women's University today, recognizing and celebrating the achievements of its graduating students at Jorhat. The 4th Convocation marked a significant milestone for Assam Women's University, reinforcing its role in shaping the new generation women into empowered and socially conscious women leaders.Addressing the graduates, Governor Shri Acharya lauded Assam Women's University as the first institution of higher education in the region dedicated exclusively to women's academic empowerment. Lauding the university, the Governor underscored the university's commitment to advancing education, innovation, and social empowerment, and expressed hope that the university will continue to set new benchmarks in the years ahead. Citing the rich legacy of women's leadership from ancient times to the present, the Governor stated, "In our ancient culture, women have always held a revered place. From scholars like Gargi and Lopamudra to modern icons like Rani Lakshmibai and Savitribai Phule, Indian women have consistently led the way in creating lasting social impact."He expressed pride in the university's initiative BHARTI (Building Holistic Advancement for Resilient and Ambitious Transformative Indian Women) - a women-centric development model aimed at fostering self-reliance and leadership among women across various domains, including education, health, environment, and economic empowerment. He noted that such initiatives align with the vision of Viksit Bharat as envisioned by Prime Minister Shri Narendra Modi.

# Governor attends 25th convocation of Assam Agricultural University




Guwahati,RB News- Assam Governor and Chancellor of Assam Agricultural University (AAU), Shri Lakshman Prasad Acharya, today graced the 25th Convocation Ceremony of the university, held at Dr. Madhab Chandra Das Memorial Auditorium on the AAU campus in Jorhat. In his address, Governor Shri Acharya underscored the deep-rooted connection between India's heritage and agriculture, reflecting on the ancient wisdom that defines the country's agricultural practices. Citing a verse in Sanskrit, the Governor said that among all substances, food is supreme; hence, it is regarded as the origin of all medicines. He, therefore reiterated the crucial role being played Assam Agricultural University in helping to produce superior quality agriculture outputs through its extensive network of research and development. He also emphasized the importance of traditional knowledge, particularly Ayurveda, in the context of food and agriculture. Highlighting the diversity of India's agricultural landscape, Shri Acharya pointed out that the country's approach to farming differs significantly based on its regions and seasons. India's 15 agro-climatic zones reflect this diversity, which is a vital part of India's agricultural identity and strength.The Governor also acknowledged the significant strides made by the country in the past decade to modernize agriculture through technology. He highlighted the initiatives such as the Soil Health Card, e-NAM (National Agriculture Market), and Kisan Credit Cards, which are designed to help farmers make informed decisions and prosper in an increasingly technology-driven world.

# CSK lose 5 matches in a row for 1st time ever



RB News- Ajinkya Rahane-led KKR defeated MS Dhoni-led CSK by eight wickets in Chennai in their IPL 2025 match on Friday. It's CSK's fifth consecutive defeat in IPL 2025, marking the first instance of the team suffering five consecutive defeats. CSK recorded their lowest IPL total in Chennai after being restricted to 103/9. KKR chased down the target in 10.1 overs.

# Mohamed Salah signs two-year contract extension with Liverpool



RB News- One of the biggest transfer speculations of recent times has finally come to an end as winger Mohamed Salah has signed a new two-year contract with Liverpool, keeping him tied for two more seasons until 2027. Mo Salah has netted 32 goals and provided 22 assists in 45 games so far.

# MS Dhoni's dismissal against KKR sparks controversy



RB News- CSK captain MS Dhoni's LBW dismissal during their IPL 2025 match against KKR in Chennai has sparked controversy. Dhoni was adjudged LBW on the third ball of CSK's 16th over, bowled by Sunil Narine. He reviewed the decision, and the UltraEdge showed a spike as ball passed the bat, but the on-field decision was upheld. Dhoni was dismissed for 1(4).

# Samson fined 24 lakh for maintaining slow over-rate



RB News- Rajasthan Royals captain Sanju Samson has been fined after his team maintained a slow over-rate during Match No. 23 of the Indian Premier League (IPL) 2025 against Gujarat Titans. As this was the team's second offence of the season under Article 2.22 of the IPL's Code of Conduct, which pertains to minimum over-rate offences, Samson was fined 24 lakh.

# অসমীয়াৰ স্বাভিমানৰ প্ৰতীক স্বৰূপ গামোচা খন

কবিতা শৰ্মা,নতুন দিল্লী

গামোচা অসমীয়া সংস্কৃতিৰ ধ্বজাবাহক স্বৰূপ এখন বস্ত্ৰ। গামোচাৰ অবিহনে আমি আমাৰ সংস্কৃতিৰ কথা কল্পনাই কৰিব নোৱাৰোঁ। পুৰাৰ পৰা নিশালৈকে ই আমাৰ জীৱনৰ এক এৰাব নোৱাৰা সংগী হৈ আহিছে। গামোচাৰ নাম আৰু উৎপত্তি সম্পৰ্কে কোনো ঐতিহাসিক সমল পোৱা নাযায়। গামোচাৰ অভিধানিক অৰ্থ গা মচিবলৈ ব্যৱহাৰ কৰা (গা+মচ) এবিধ কাপোৰকে বুজাই-

গা ধুই পানী টোকা কাপোৰ এতেকে
তামোল বন্ধা, মূৰত মৰা সৰু কাপোৰ
-হেম চন্দ্ৰ বৰুৱা

অসমৰ জনজীৱনত গামোচাৰ ব্যৱহাৰৰ পৰিসৰ অতি গভীৰ আৰু ব্যাপক। এক কথাত অসমীয়া সমাজ - সংস্কৃতি - আচাৰ- নীতি সকলো ক্ষেত্ৰতে গামোচাৰ ব্যৱহাৰ হোৱা দেখা যায়। ইতিহাসবিদ লীলা গগৈৰ মতে আহোমৰ ৰাজত্ব কালৰ পৰাই অসমত গামোচাৰ প্ৰচলন আছিল। মহাপুৰুষ শঙ্কৰদেৱৰ সময়তো গামোচাৰ প্ৰচলনৰ কথা জনা যায়। এডৱাৰ্ড গেইটৰ " A history of Assam" নামৰ গ্ৰন্থত গামোচাৰ কথা উল্লেখ আছে। ওঠৰশ শতিকাত এখন গামোচাৰ দাম আছিল ৫ পইচা। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে অসমত গামোচাৰ ব্যৱহাৰ পুৰণি কালৰ পৰা চলি আহিছে। মুঠতে এই কথা নিশ্চিত যে ভাৰতৰ আন ঠাইৰ পৰা গামোচা অহা নাছিল বা ভাৰতৰ আন ঠাইত ইয়াৰ ব্যৱহাৰ হোৱাও দেখা নাযায়।

অসমীয়াৰ হিয়াৰ আমঠু ব'হাগ বিহুৰ লগত আমাৰ মৰমৰ গামোচা খনৰ সম্পৰ্ক অতি নিবিড়। বিহুক যিদৰে অসমীয়াৰ আয়ুস ৰেখা বুলি কোৱা হয়, ঠিক তেনেদৰেই অসমৰ গামোচা খনৰ অবিহনে বিহুৰ অস্তিত্ব তেনেই ক্ষীণ। বহাগ বিহুৰ প্ৰাকক্ষনতে অসমৰ জীয়ৰী বোৱাৰীহঁতে প্ৰিয়জনক দিবলৈ তাঁত শালত ৰঙা আঁচু সূতাৰে ভমকাফুলীয়া গামোচা যুতি লয়। ফুলৰ চানেকিৰে সপোনৰ ফুল বাছি জাত জাত বিহু নামৰ ছেৰে-ছেৰে শিপিনীসকল তাঁত শালত ব্যস্ত হৈ পৰে আৰু চ'তৰ কেইদিনমান থাকোতেই গামোচা বৈ কাটি উলিয়াই। তাঁত শালৰ খিটখিটনিৰ মন জুৰোৱা শব্দই মনত পেলাই দিয়ে যে বিহু আহি আমাৰ পদুলি মুখত। সকলোৰে মন হৈ উঠে থৌকি বাথৌ। আমাৰ সমাজত এক বিশ্বাস আছে যে গামোচা বিহু চেৰা কৰিব নাপায় । সেয়েহে শিপিনী সকলে চ'তৰ কেইদিনমান থাকোতেই তাঁতশালৰ গামোচা বৈ কাটি উলিয়াই। এই গামোচাত বছা সুন্দৰ ফুলবোৰে এহাতে যেনেকৈ অসমীয়া নাৰীৰ শিল্পী মনৰ পৰিচয় দিয়ে আনফালে এই ফুলবোৰ প্ৰেম ভালপোৱাৰ লগতে বসন্ত ঋতুৰো প্ৰতীক বুলি কব পাৰি। এইদৰে অসমীয়া গাভৰুহঁতে বিহুৰ বতৰত প্ৰেমিকক হেঁপাহৰ দীঘ আৰু চেনেহৰ বানীৰে বৈ উলিওৱা বিহুৱান যাচি প্ৰেম প্ৰকাশ কৰে বিহুগীতৰ মাজেৰে-

ৰাতি দুপৰলৈ কাটি সূতা লাহী
ধনলৈ বিহুৱান ব'লো



ৰঙাকৈ আঁচুৰে বাছি পানে বটা
টিপতে লুকুৱাই থলোঁ

প্ৰেমিকেও সেই বিহুৱান খন মূৰত মেৰিয়াই প্ৰেমিকালৈ সন্মান প্ৰদৰ্শন কৰে। কেৱল প্ৰেমিকৰ বাবেই যে বিহুৱান বোৱা হয় তেনে নহয়। বিহুত প্ৰিয় জনৰ পৰা জ্যেষ্ঠ জনলৈ সকলোকে উপহাৰ হিচাপে বিহুৱান দিয়া হয়। মুঠতে অসমীয়া সংস্কৃতিৰ অন্যতম গামোচাখন এৰি আমি এখোজো দিব নোৱাৰো। মঠ - মন্দিৰ, নামঘৰ, সকাম-নিকাম, বিয়া-সবাহ আদি সকলো ধৰ্মীয় অনুষ্ঠানত ভাগ লওতে পুৰুষ- মহিলা সকলোৱে গামোচাখন ডিঙিত মেৰিয়াই লোৱাটো এক সামাজিক পৰম্পৰা। বৰগীত-বনগীত, আইনাম -দিহানাম আদি ভক্তিমূলক গীত সমূহ পৰিবেশন কৰোতে শিল্পী সকলে কান্ধত গামোচা লোৱাটোও এক পৰম্পৰা। নামঘৰত গুৰুৰ আসন বা সত্ৰৰ সিংহাসনত গামোচা শ্ৰদ্ধা ভক্তিৰ চিন স্বৰূপে প্ৰদান কৰা হয়। কৃষক সকলে মূৰত পাগুৰি মাৰি খেতি কৰা আৰু লখিমী আদৰা কাৰ্য্য কৰে কান্ধত গামোচা একোখন লৈ। ৰোৱনী -দাৱনীয়েও গামোচাৰে মুখ ঢাকি বোৱা, তোলা, দোৱা আদি কামবোৰ কৰে। গ্ৰামাঞ্চলৰ মানুহে কাম - কাজ কৰোতে গামোচা একোখন ককালত মেৰিয়াই লয়। বিহুৱা ডেকাসকলৰ মূৰত গামোচা খন থকাৰ উপৰিও কঁকালতো এখন গামোচাৰে টঙালি বান্ধি লয়। সভা-সমিতিত নিমন্ত্ৰিত বিশিষ্ট ব্যক্তি সকলক একোখন ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। ঘৰলৈ কোনো মান্য জন বা আলহী আহিলে তেওঁলোককো নতুন গামোচাৰে সন্মান জনোৱা হয়। কইনা চাবলৈ অহা দৰাঘৰৰ লোক সকলক ছোৱালীজনীয়ে গামোচাৰে মান ধৰে। বহাগ বিহুত হুচৰি জুৰি বিহুৱা দলে বিহুমৰাৰ শেষত গৃহস্থই কান্ধত গামোচাখন লৈ মাননী স্বৰূপে মূল্য সহিত তামোল-পানৰ শৰাই আগবঢ়াই সেৱা লবৰ সময়তো বিহুৱা-বিহুৱতী সকলে গামোচা বিচাৰি এই ফাঁকি নাম ধৰে-

অ' ক'লা চিয়াঁহী
গামোচা দিলে দিয়াহি
যদি গামোচা নিদিয়া
আমাক বিদায় দিয়াহি

গৃহস্থই গামোচা দি বিহুৱা দলটোক সন্মান প্ৰদৰ্শন কৰে। সকলো শুভ কাৰ্য্যত প্ৰয়োজন হোৱাৰ দৰে গামোচা খন মৃত কৰ্মতো ব্যৱহাৰ হয়। মুঠতে অসমীয়া সমাজত যিকোনো ক্ষেত্ৰতে গামোচাৰ ব্যৱহাৰ অপৰিহাৰ্য্য। যদিও অভিধানিক অৰ্থ মতে গামোচা, গা মচিবলৈ ব্যৱহাৰ হোৱা এবিধ কাপোৰ মাত্ৰ, কিন্তু ই কেৱল এই সীমিত অৰ্থতেই সীমাবদ্ধ হৈ নাথাকিল। বিভিন্ন সময়ত, বিভিন্ন ৰূপে ই আমাৰ সমাজৰ এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি ললে। মাত্ৰ বিভিন্ন ক্ষেত্ৰত খাপ খোৱাকৈ ব্যৱহাৰ কৰিবলৈ ইয়াৰ গুণগত মান, আয়তন আৰু ৰূপৰেখা সলনি কৰি ব্যৱহাৰ কৰা দেখা যায়। উদাহৰণ স্বৰূপে - সদায় সকলো সময়তে আৰু গা মচিবলৈ ব্যৱহাৰ কৰাখন তিয়নি, কঁকালত বন্ধাখন টঙালি, বিহু বা হুঁচৰিত ব্যৱহাৰ হোৱা খন বিহুৱান, তামোল বান্ধিবলৈ ব্যৱহাৰ হোৱাখন হাচতি ইত্যাদি। বিয়াত দৰা আৰু কইনাই ব্যৱহাৰ কৰাখন আনাকাটা গামোচা আৰু দৰা বৰণৰ গামোচা ইত্যাদি। অসমৰ ঐতিহ্যমণ্ডিত এই গামোচা খনৰ জনপ্ৰিয়তা ইমানেই বেছি যে এই গামোচা খনে অন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো অসমৰ খ্যাতি কঢ়িয়াই নিছে। ই International Space Station ৰ লগত অসমৰ সংযোগ স্থাপন কৰিবলৈ সক্ষম হৈছে। ২০০৪ চনত আমাৰ গামোচা খন অসমৰ জোঁৱাই বৰ্তমান আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাচা (NASA)ৰ মহাকাশচাৰী, বায়ুসেনাৰ কৰ্ণেল ৰেঙ্কৰ পৰা অৱসৰ প্ৰাপ্ত মাইকেল ফিঙ্কে (Michael Fincke) ISS লৈ লৈ গৈছিল। বৰ্তমান নাচা (NASA) ত কৰ্মৰত অসমৰ জীয়ৰী ৰেনিতা শইকীয়াৰ স্বামী মহাকাশচাৰী মাইকেল ফিঙ্কে গামোচা মূৰত মেৰিয়াই ISS ৰ ভিতৰত বিহু নাচি অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে।

তাঁতশিল্প অসমৰ জাতীয় জীৱনৰ এক এৰাব নোৱাৰা দিশ। বোৱা কটাত অসমীয়া শিপিনীয়ে নিজস্ব প্ৰতিভা প্ৰদৰ্শন কৰি আহিছে। জাতি ধৰ্ম নিৰ্বিশেষে প্ৰায় সকলো অসমীয়া মহিলাই বোৱা কটা জানে। বুৰঞ্জীত পোৱা যায় অসমীয়া শিপিনীয়ে ছাতে শুকুৱা মুঠিতে লুকুৱা কাপোৰ বব জানিছিল। অসমলৈ আহি অসমীয়া শিপিনীৰ পাৰদৰ্শিতাত মুগ্ধ হৈ মহাত্মা গান্ধীয়েও কৈ গৈছিল- অসমীয়া শিপিনীয়ে তাঁতশালত সপোন ৰচনা কৰিব পাৰে। অতীতত অসমীয়া নাৰীয়ে ৰাতিটোৰ ভিতৰতে কপাহ নেওঠি, পাজি বাটি, সূতা কাটি কৰচ ৰূপে কাপোৰ বৈ স্বামীক যুদ্ধলৈ পঠিয়াইছিল। অসমীয়া শিপিনীৰ পাৰদৰ্শিতাৰ উমান বিহুগীততো শুনিবলৈ পোৱা যায়-

গাত লৈ ফুৰালে বতাহ ফালিব
মুঠিত লৈ ফুৰাহে ভাল
এআগে বাছিলোঁ সেউতী মালতী
এআগে বাছিলোঁ ফুল
এআগে বাছিলোঁ বাঘে ভালুকে
বাটে মানুহ ধৰি খায়
এআগে বাছিলোঁ চৰাই হালধীয়া
উৰি শদিয়ালৈ যায়

কিন্তু বৰ্তমান উপযুক্ত কৰ্মৰ পাৰিশ্ৰমিক নোপোৱাৰ বাবে তাঁত শালত অসমীয়া শিপিনীৰ সেই আগৰ উদ্যম নাই। আজিলৈকে অসমত গামোচাৰ এখন সুস্থ বজাৰ নহ'ল। যাৰ ফলত থলুৱা শিপিনী সকল আজি বঞ্চিত। যোৱা কেইবা বছৰো ধৰি ৰাজ্যৰ বজাৰ বাহিঃৰাজ্যৰ আমদানীকৃত মেচিন নিৰ্মিত গামোচাৰে ভৰি পৰিছে। হাতেৰে বোৱা গামোচাতকৈ এই গামোচাৰ গুণগত মান আৰু দাম কম। সেয়েহে বৰ্তমান বজাৰত ইয়াৰ চাহিদা আমাৰ থলুৱা গামোচাতকৈ বেছি। দুটা টকা বেছিকৈ দিয়াতকৈ নিম্ন মানৰ এই ঠেক গামোচা বোৰকে, অসমীয়াই ৮০/৯০ টকাত কিনিছে। অসমীয়াৰ দুখ যদি অসমীয়াই নুবুজে তেতিয়াহ'লে বুজিব কোনে? তাৰোপৰি এলাহ আৰু সোৰোপা স্বভাবো অসমীয়াৰ অৰ্থনীতি দুৰ্বল কৰাৰ আন এটি কাৰণ । সেই কোন কেতিয়াই ড° ভূপেন হাজৰিকাই গীতৰ মাজেৰেই অসমীয়াক সকীয়াই দিছিল-

মূৰৰ ফুলাম গামোচা খনি
ক'ৰবাৰ শেনে আহি নিলেহি টানি
গ'ল গ'ল,
গ'ল গ'ল বুলি মাথোঁ চিঞৰিলে
তাকে দেখি শেনহঁতে ৰগৰ কৰিলে
অসীয়াই এইবোৰ ভাবি চাবৰ
ব'হাগেই বতৰ কিজানি

অসম বুলিলে বিভিন্ন জাতি - জনগোষ্ঠীয় দেশক সূচায়। গামোচা খনৰ ক্ষেত্ৰতো এই প্ৰসঙ্গ খাটে। বড়ো সমাজত আৰনাই, কোচ- ৰাজবংশী সকলৰ আওচাই, মিচিং সকলৰ দুমৌৰ, তিৱা সমাজত ফালি, ডিমাচা সকলৰ ৰিচাহ, টাই ভাষাত ফা-চীত ইত্যাদি। কেৱল অসমীয়া গামোচা খনৰেই যে মান আছে, বাকী জনগোষ্ঠীয় লোকসকলৰ গামোচাৰ যে মান নাই বা ৰাষ্ট্ৰীয়-আন্তৰাষ্ট্ৰীয় স্তৰত স্বীকৃতি পোৱাৰ যোগ্যতা নাই, তেনে নহয়। প্ৰকৃততে সংস্কৃতি হ'ল সুন্দৰৰ মন্ত্ৰ। সংস্কৃতিয়ে আমাক শিকাই সুন্দৰৰ সন্ধান কৰিবলৈ। সাত ভনীৰ বৰভনী অসমৰ মানুহৰ মাজত প্ৰবাহিত এই চেতনাই জাতিটোৰ মাজত ঐক্যৰ এনাজৰী অধিক নিকপকপীয়া কৰিব পাৰে ।

আগলৈ...

ৰঙিলী বাৰ্তা কৰ্তৃক ড° উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286